কৌটিলীয় অৰ্থশাস্ত্ৰ

প্ৰথম অধিকৰণ

শিক্ষা-সম্পৰ্কীয়

প্ৰথম অধ্যায়

PRAGJYOTISH COLLEGE LIBRARY
No.
Date
GUHATI - 9. 1952

প্ৰকৰণ আৰু অধিকৰণৰ সমুল্লেখ

ওঁ শুক্ৰ আৰু বৃহস্পতিক নমস্কাৰ।

ৰাজ্যলাভ আৰু পালন কৰিবৰ নিমিত্তে পূৰ্ববৰ্তী আচাৰ্যসকলে যিমানবিলাক অৰ্থশাস্ত্ৰৰ প্ৰতিষ্ঠা কৰিছিল, সেইবিলাকৰ প্ৰায় সকলোবিলাককে সঙ্কলন কৰি এই এখন অৰ্থশাস্ত্ৰ প্ৰণয়ন কৰা হৈছে॥১॥

তাৰেই (সেই গ্ৰন্থৰেই) এয়া প্ৰকৰণৰ আৰু অধিকৰণৰ সমুল্লেখ॥২॥

বিদ্যা-নিৰ্দেশ; (জ্ঞান) বৃদ্ধসকলৰ সঙ্গ; ইন্দ্ৰিয়জয়; অমাত্যৰ নিয়োগ; উপদেষ্টা আৰু পুৰোহিতৰ নিয়োগ; গোপন পৰীক্ষাৰ যোগেদি অমাত্যসকলৰ কলুষতা আৰু অকলুষতাৰ জ্ঞান; চোৰাংচোৱাৰ নিয়োগ; চোৰাংচোৱাৰ কাৰ্য-বিধি; নিজ ৰাজ্যৰ ভেদযোগ্য আৰু অভেদ্য-সকলৰ ওপৰত নজৰ; শত্ৰুৰাজ্যৰ ভেদযোগ্য আৰু অভেদ্যসকলক হাত কৰা; মন্ত্ৰ-প্ৰকৰণ; দূতৰ আচৰণ-বিধি; যুৱৰাজৰ প্ৰতি সতৰ্কতা অৱলম্বন; অননুগৃহীতৰ (যুৱৰাজৰ) আচৰণ; অননুগৃহীতৰ (যুৱৰাজৰ) প্ৰতি ব্যৱহাৰ; ৰজাৰ আচৰণ-বিধি; (ৰাজ) প্ৰাসাদবাসীসকলৰ আচৰণ-বিধি; (ৰজাৰ) নিজ শৰীৰ ৰক্ষা সম্বন্ধীয়—এইবিলাকেই "শিক্ষা সম্পৰ্কীয়" নামৰ প্ৰথম অধিকৰণৰ বিষয়॥৩॥

গাওঁ-সংস্থাপন; খেতিৰ অনুপযোগী ভূমিৰ বন্দৱস্ত; দুৰ্গ-নিৰ্মাণ; দুৰ্গ-ৰক্ষিত নগৰৰ বিন্যাস; সংনিধাতাৰ (মুখ্য ভঁৰালীৰ) সঞ্চয়-কৰ্ম; সমাহৰ্তাৰ ৰাজস্ব-প্ৰৱৰ্তন; হিছাপ-পৰীক্ষণ আৰু লেখ্য-কাৰ্যালয়ত গাণনিকৰ অধিকাৰ; ৰাজ-কৰ্মচাৰীয়ে আত্মসাৎ কৰা ৰাজস্বৰ পুনৰুদ্ধাৰ; বিষয়াসকলৰ (কাৰ্য) পৰিদৰ্শন; শাসন-প্ৰকৰণ; ৰাজ-ভঁৰালত থ'বলগীয়া মূল্যবান বস্তুৰ পৰীক্ষা; আঁকৰ আৰু কৰ্মান্তৰ (factory) প্ৰৱৰ্তন; অক্ষ-শালাত (workshop) সুবৰ্ণাধ্যক্ষ; ৰাজপথৰ বজাৰত সোণাৰিৰ ব্যৱসায়; কোষ্ঠাগাৰৰ অধ্যক্ষ; পণ্যাধ্যক্ষ; কুপ্যাধ্যক্ষ; আয়ুধাগাৰৰ অধ্যক্ষ; ভৰ (ওজন) আৰু পৰিমাণৰ প্ৰমিতী-কৰণ; দেশ (স্থান) আৰু কালৰ মান; শুল্কাধ্যক্ষ; সূত্ৰাধ্যক্ষ; সীতাধ্যক্ষ (কৃষি-অধ্যক্ষ); সুৰাধ্যক্ষ; সূনাধ্যক্ষ; গণিকাধ্যক্ষ; নৌ-অধ্যক্ষ; গো-অধ্যক্ষ; অশ্বাধ্যক্ষ; হস্তী-অধ্যক্ষ; ৰথাধ্যক্ষ; পদাতি-অধ্যক্ষ; সেনাপতিৰ কাৰ্য; মুদ্ৰাধ্যক্ষ; চৰণীয়া পথাৰৰ অধ্যক্ষ; সমাহৰ্তাৰ কাৰ্য; গৃহস্থ, বেপাৰী আৰু সন্ন্যাসীবেশী চোৰাংচোৱা; নগৰাধ্যক্ষৰ আচৰণ-বিধি—এই সকলোবিলাক প্ৰকৰণেই "অধ্যক্ষ-প্ৰচাৰ" (বিভাগীয় বৰমূৰীয়াসকলৰ কাৰ্য) নামৰ দ্বিতীয় অধিকৰণৰ বিষয়॥৪॥

ব্যৱহাৰ-স্থাপনা; (বিচাৰৰ কাৰণে) বিবাদ-পদ্ধতি-নিৰ্ণয়; বিবাহ-সম্পৰ্কীয়; দায়বিভাগ (উত্তৰাধিকাৰসূত্ৰে সম্পত্তি-বিভাগ); স্থাৱৰ সম্পত্তি-সম্বন্ধীয়; লোকাচাৰ-অপৰিপালন; ঋণ-

Scanned with CamScanner

অপবিশোধ; উপনিধি (জমাত মূলধন) বিষয়ক; দাস আবু বন্ধুরা বিষয়ক বিধি; অংশাদাবী উদ্যোগ; বেচা-কিনা বাতিলকবণ; দান কবা বস্তুব অপ্রদান; স্বত্বহীন বিক্রী; বস্তু আবু মালিকব সম্বন্ধ; বলপূর্বক গ্রহণ (forcible seizure); বাক্‌পাবুষ্য; দণ্ড-পাবুষ্য (শাবীব হিংসা); জুবা আবু পণ; বিবিধ প্রকবণ—এইবিলাকেই "ধর্মস্থীয়" (বিচাবক-সম্পর্কীয়) নামব তৃতীয় অধিকবণব বিষয় ॥৫॥

কাবু-শিল্পীব ওপবত নজব, ব্যবসায়ীসকলব ওপবত নজব; দৈবিক বিপদব প্রতিকাব; গোপনে জীবিকা উপার্জন কবা লোকসকলব বিবুদ্ধে সতর্কতা; সাধুবেশী চোবাংচোবাব দ্বাবা দুষ্ট লোক ধবা পেলোবা; সন্দেহজনক কর্মত লিপ্ত লোকব গ্রেপ্তাব; আকস্মিক মৃত্যুব পবীক্ষা; জেবা আবু শাস্তি-প্রয়োগব দ্বাবা তদন্ত; সকলো বিভাগব (কর্মচাবীব) ওপবত নজব বখা; অঙ্গহানিব পবিবর্তে দণ্ড; বিনা শাস্তিয়ে আবু শাস্তিপূর্বক মৃত্যুদণ্ডব বিধান; কুমাবী-ধর্ষণ; বিধি-উল্লঙ্ঘনব কাবণে দণ্ড—এইবিলাকেই "কণ্টকশোধন" (অপবাধী-দমন) নামব চতুর্থ অধিকবণব বিষয় ॥৬॥

(গোপন) দণ্ড-বিধানব ব্যবস্থা; বাজ-কোষব পুনঃ সমৃদ্ধি-সাধন; বাজ-কর্মচাবীব বেতন; বজাব অনুজীবীব (উপযুক্ত) আচবণ; পাবিষদব যোগ্য আচবণ; বাজ্যব নিবন্তবতা; প্রভু-শক্তিব অবিচ্ছিন্নতা—এইবিলাকেই "যোগবৃত্ত" (গোপন আচবণ) নামব পঞ্চম অধিকবণব বিষয় ॥৭॥

প্রকৃতি-সম্পদ; শান্তি আবু উদ্যম সম্বন্ধীয়—এইবিলাকেই "মণ্ডলযোনি" (বাজাব আধাব বাজমণ্ডল) নামব ষষ্ঠ অধিকবণব বিষয় ॥৮॥

ছদফাঁয়া বৈদেশিক নীতিব সমুল্লেখ; অবনতি, স্থিতাবস্থা আবু উন্নতি অবস্থাব বিধান-নিবূপণ; আশ্রয় বিচবাজনব প্রতি ব্যবহাব; সমবল, হীনবল আবু শ্রেষ্ঠবল বজাব অনুসৃত নীতি; দুর্বল বজাব সন্ধি: যুদ্ধ (ঘোষণা) কবি আসন-অবলম্বন; সন্ধি কবি আসন-অবলম্বন; যুদ্ধ (ঘোষণা) কবি যুদ্ধ-যাত্রা; সন্ধি কবি যুদ্ধ-যাত্রা; (আন বজাবে সৈতে) একেলগে যুদ্ধ-যাত্রা; আক্রমণীয় বজা আবু (স্বভাব) শত্রুব ওপবত আক্রমণ-সম্পর্কীয় বিবেচনা; প্রজাব ক্ষয়, লোভ আবু বিবাগব কাবণসমূহ; সমবায়ভুক্ত বজাসকলব সম্বন্ধে বিচাব; (দুজন) সন্ধিবদ্ধ (বজাব) যুদ্ধ-যাত্রা-সম্বন্ধীয়; পবিপণিত, অপবিপণিত আবু অপসৃতব লগত সন্ধি; দুর্বলীয়া-নীতিজড়িত সন্ধি-বিগ্রহ; আক্রান্তপ্রায় বজাব যোগ্য আচবণ; সাহায্য পাবব যোগ্য বিভিন্ন মিত্র; মিত্র-সন্ধি, হিবণ্য-সন্ধি, ভূমি-সন্ধি আবু কর্ম-সন্ধি; পার্ষ্ণিগ্রহণ-চিন্তা; হীনশক্তি-পূবণ; বলবান বজাবে সৈতে যুদ্ধ কবি নিজক (দুর্গত) বন্ধ বখাব কাবণ; সসৈন্যে আত্মসমর্পণ কবা বজাব (যোগ্য) আচবণ; শত্রুবে (আন বজাক) বশীভূত কবা বজাব (যোগ্য আচবণ); সন্ধিকর্ম; সমাধি-মোক্ষ (মনুষ্যাপণব মুক্তি); মধ্যম বজাব প্রতি ব্যবহাব; নিবপেক্ষ বজাব প্রতি ব্যবহাব; বাজমণ্ডলব প্রতি ব্যবহাব—এইবিলাকেই "বাড়্‌গুণ্য" নামব সপ্তম অধিকবণব বিষয় ॥৯॥

প্রকৃতিব ব্যসনসমূহ; বজা আবু বাজাব ব্যসন সম্পর্কে বিবেচনা; মনুহব ব্যসন-সমূহ; পীড়নসমূহ; অনর্থব্যয়সমূহ; কোশসম্পদসমূহ (বাজ-কোষব ক্ষতিসমূহ); সৈন্যব ব্যসনসমূহ; মিত্রব ব্যসনসমূহ—এইবিলাকেই "ব্যসনাধিকাব" নামব অষ্টম অধিকবণব বিষয় ॥১০॥

শক্তি, স্থান আবু কালব (আপেক্ষিক) সবলতা-দুর্বলতা-নির্ণয়; যুদ্ধ-যাত্রাব কাল;

Scanned with CamScanner

সৈন্য-প্রয়োগৰ সময়; সমৰ-সজ্জাৰ গুণ; শত্রু-সৈন্যৰ বিৰুদ্ধে সৈন্যপ্রয়োগ-কার্য; পৃষ্ঠৰক্ষী সৈন্যৰ বিদ্রোহৰ বিষয়ে বিবেচনা; প্রকৃতিৰ বাহ্যিক আৰু আভ্যন্তৰিক বিদ্রোহৰ প্রতিকাৰ-ব্যৱস্থা; লোকচান, খৰচ আৰু লাভৰ বিবেচনা; (ৰাজকৰ্মচাৰীবিপৰা হোৱা) বাহ্যিক আৰু আভ্যন্তৰিক বিপদ; ৰাজ-দ্রোহী আৰু শত্রুত্বে সৃষ্টি কৰা বিপদ; সুবিধা, অসুবিধা আৰু অনিশ্চয়তাজনিত বিপদ; বিভিন্ন উপায় প্রয়োগৰ দ্বাৰা এইবোৰৰ সমাধান—এইবিলাকেই "অভিযান কৰিবলৈ ওলোৱা ৰজাৰ কার্য" নামৰ নৱম অধিকৰণৰ বিষয়॥১১॥

শিবিৰ-স্থাপন; শিবিৰবপৰা যাত্রা; বিপদ আৰু আক্রমণৰ সময়ত সৈন্য-ৰক্ষণ; বিভিন্ন কূটনৈতিক যুদ্ধ; নিজৰ সৈন্যক উৎসাহ-প্রদান; নিজ সৈন্যৰে শত্রু-সৈন্যৰ প্রতিৰোধ; যুদ্ধৰ (উপযুক্ত) স্থান; পদাতি, অশ্বাৰোহী, ৰথ আৰু হাতীৰ প্রয়োগ, সৈন্যৰ বল অনুসৰি পার্শ্ব, প্রান্ত আৰু সম্মুখ-ব্যূহৰ বিভাগ; বলী আৰু দুৰ্বল সৈন্যৰ নিয়োগ; পদাতি, অশ্বাৰোহী, ৰথী আৰু হস্তী-সৈন্যৰ যুদ্ধৰ ৰীতি; দণ্ড-ব্যূহ সর্প-ব্যূহ, মণ্ডল-ব্যূহ আৰু অসংহত-ব্যূহ স্থাপন; এইবোৰৰ প্রতিব্যূহ স্থাপন—এইবিলাকেই "সাংগ্রামিক" নামৰ দশম অধিকৰণৰ বিষয়॥১২॥

ভেদ-নীতিৰ প্রয়োগসমূহ; গোপন দণ্ড (শাস্তি)—এয়ে "সংঘৰ প্রতি ব্যৱহাৰ" নামৰ একাদশ অধিকৰণৰ বিষয়॥১৩॥

দূতৰ কর্ম; মন্ত্রযুদ্ধ; (শত্রুৰ) সেনাধ্যক্ষৰ হত্যা; ৰাজ-মণ্ডলৰ ৰাজত উত্তেজনা-সৃষ্টি; অস্ত্র, অগ্নি আৰু বিহৰ গোপন ব্যৱহাৰ; (শত্রুৰ) যোগান, সৈন্যক্ষয়-পূৰণ আৰু অতর্কিত আক্রমণৰ নিৰোধ; গোপন কৌশলৰ দ্বাৰা (শত্রুক) প্রতাৰণা কৰা; বল-প্রয়োগৰ দ্বাৰা (শত্রুক) প্রতাৰণা কৰা; অকলশৰীয়া ৰজাৰ বিজয়—এইবিলাকেই "দুৰ্বল ৰজা-সম্বন্ধীয়" নামৰ দ্বাদশ অধিকৰণৰ বিষয়॥১৪॥

প্রজা-বিক্ষোভৰ উদগনি; কৌশলৰ দ্বাৰা (শত্রুক দুৰ্গৰ) বাহিৰ উলিয়াই অনা; গুপ্ত-চৰ-নিয়োগ; দুৰ্গ-অৱৰোধ কর্ম; দুৰ্গ-আক্রমণ; বিজিত ৰাজ্যত শান্তি-প্রৱর্তন—এইবিলাকেই "দুৰ্গ দখল কৰাৰ উপায়" নামৰ ত্রয়োদশ অধিকৰণৰ বিষয়॥১৫॥

শত্রুসৈন্য ধ্বংসৰ কাৰণে গোপন ক্রিয়া; (গোপন ক্রিয়াৰ যোগে) প্রতাৰণা; নিজৰ সৈন্যৰ অনিষ্টৰ প্রতিকাৰ—এইবিলাকেই "গোপন ক্রিয়া-সম্বন্ধীয়" নামৰ চতুর্দশ অধিকৰণৰ বিষয়॥১৬॥

অর্থশাস্ত্র (ৰচনাত) প্রয়োগ কৰা প্রণালীসমূহ—এয়ে "অর্থশাস্ত্রৰ উপপত্তি" (আলোচনা-প্রণালী) নামৰ পঞ্চদশ অধিকৰণৰ বিষয়॥১৭॥

শাস্ত্রৰ বিষয়-বস্তুৰ উল্লেখৰে সৈতে পোন্ধৰটা অধিকৰণ, এশ পঞ্চাশটা অধ্যায়, এশ আশীটা প্রকৰণ আৰু ছয় হেজাৰ শ্লোক (ইয়াত) আছে॥১৮॥

শিকিবলৈ আৰু বুজিবলৈ সহজ, তত্ত্ব, অর্থ আৰু পদত নিখুঁত আৰু পাঠৰ বিস্তৰৰ-পৰা মুক্ত এই শাস্ত্র কৌটিল্যৰ দ্বাৰা প্রণীত হ'ল॥১৯॥"

কৌটিল্যীয় অর্থশাস্ত্রৰ "শিক্ষা সম্পর্কীয়" নামৰ প্রথম অধিকৰণৰ অন্তর্গত "প্রকৰণ আৰু অধিকৰণৰ সমুদ্দেশ" নামৰ প্রথম অধ্যায় সমাপ্ত।

Scanned with CamScanner

দ্বিতীয় অধ্যায়

প্রথম প্রকবণ : বিদ্যা-নির্দেশ

(১) দর্শনশাস্ত্রব (আবশ্যকতা) প্রতিপাদন

দর্শনশাস্ত্র, তিনি বেদ, অর্থশাস্ত্র আবু বাজনীতি—এয়ে বিদ্যা ॥১॥

তিনি বেদ; অর্থশাস্ত্র আবু বাজনীতি—কেবল এইকেইটাহে বিদ্যা বুলি মানব সম্প্রদায়ব কয় ॥২॥ (কাবণ) দর্শনশাস্ত্র বেদবে শাখাবিশেষ ॥৩॥

অর্থশাস্ত্র আবু দণ্ডনীতি—এই দুটাহে কেবল বিদ্যা—এই বুলি বৃহস্পতিব শিষ্য-সকলে কয় ॥৪॥ কাবণ, সাংসাবিক ব্যবহাব জনাসকলব কাবণে বেদ আবণ মাত্র ॥৫॥

'দণ্ডনীতিয়েইহে একমাত্র বিদ্যা'—এই বুলি উশনা-পন্থীসকলে কয় ॥৬॥ কাবণ তাতেই সকলো বিদ্যাব কার্য নিহিত আছে ॥৭॥ 'বিদ্যা কেবল চাবিটা'—এয়ে কৌটিল্যব মত ॥৮॥

যিহেতু তাবপবাই ধর্ম আবু অর্থব শিক্ষা হয়, সেই কাবণেই তাক বিদ্যা বোলাটো যুক্তিযুক্ত হৈছে ॥৯॥

সাংখ্য, যোগ আবু লোকায়ত—এয়ে দর্শনশাস্ত্র ॥১০॥ তিনি বেদব ধর্মাধর্ম, অর্থশাস্ত্রব অর্থ আবু অনর্থ, দণ্ড-নীতিব সুনীতি আবু দুর্নীতি আবু এই তিনি বিদ্যাব আপেক্ষিক বলাবল যুক্তিব দ্বাবা বিচাব কবি আন্বীক্ষিকী-বিদ্যাই (দর্শনশাস্ত্রই) লোকসাধাবণব হিত সাধন কবে, বিপদ-সম্পদত বুদ্ধিব স্থিবতা সম্পাদন কবে আবু ভাব, বাক্য আবু কার্যত বিশাবদ কবে ॥১১॥

দর্শনশাস্ত্র সকলো বিদ্যাবে প্রদীপ, সকলো কর্মবে উপায় আবু
সকলো ধর্মবে আশ্রয় বুলি সদায় বিবেচিত হয় ॥১২॥

কৌটিলীয় অর্থশাস্ত্রব "শিক্ষা সম্পর্কীয়" নামব প্রথম অধিকবণব অন্তর্গত "বিদ্যা-নির্দেশ প্রকবণ" নামব দর্শনশাস্ত্রব প্রতিপাদন" নামব দ্বিতীয় অধ্যায় সমাপ্ত।

তৃতীয় অধ্যায়

প্রথম প্রকবণ : বিদ্যা-নির্দেশ

(২) তিনি বেদব (আবশ্যকতা) প্রতিপাদন

সামবেদ, ঋগ্বেদ আবু যজুর্বেদ—এই তিনিখন বেদেই তিনি বেদ বা ত্রয়ী ॥১॥ এই তিনি বেদ, অথর্ববেদ আবু ইতিহাস-বেদক (একেলগে) বেদ বুলি কোৱা হয় ॥২॥

শিক্ষা (স্বব), কল্প (যজ্ঞ), ব্যাকবণ, নিবুক্ত (শব্দ-নির্বচন), ছন্দঃশাস্ত্র আবু জ্যোতিষ—এইকেইটাই বেদাঙ্গ ॥৩॥

চাবি বর্ণ আবু আশ্রমব কর্তব্য প্রতিপাদন কবাব হেতুকে এই বেদধর্ম (বা বেদবিধি) হিতসাধক ॥৪॥

অধ্যয়ন, অধ্যাপন, যজন, যাজন, দান-প্রদান আবু দান-গ্রহণ—এয়ে ব্রাহ্মণব স্বধর্ম ॥৫॥

Scanned with CamScanner

অধ্যয়ন, যজন, দান, অস্ত্র-জীবিকা আর জীবের রক্ষণ—এয়ে ক্ষত্রিয়ের (স্বধর্ম)॥৬॥

অধ্যয়ন, যজন, দান, কৃষি, পশুপালন আর বাণিজ্য—এয়ে বৈশ্যের (ধর্ম)॥৭॥

দ্বিজাতি-সেরা, অথবা বৃত্তি আর শিল্পী আর অভিনেতার বৃত্তিয়েই শূদ্রের ধর্ম॥৮॥

নিজ ধর্মানুসার জীবিকা, একে জাতির অসমগোত্রে সেতে বিবাহ, ঋতুকাল অনুসার স্বপত্নীগমন, দেবতা, পিতৃ আর অতিথির পূজা, ভৃত্যের কারণে ত্যাগ আর শেষভোজন (সকলোরে খোরার পিছত বাকী থাকিলে ভোজন)—এইবিলাকেই গৃহস্থর ধর্ম॥৯॥

বেদাধ্যয়ন, অগ্নি-প্রজ্বালন, আনুষ্ঠানিক স্নান, ভিক্ষাবৃত্তিরে জীবন-নির্বাহ (ভিক্ষাব্রত) (ব্রহ্মচারী) জীবনর অবসান পর্যন্ত আচার্যর লগত, তেওঁর অনুপস্থিতিত তেওঁর পুত্রর লগত, নাইবা অন্য ব্রহ্মচারীর লগত অবস্থান—এইবিলাকেই ব্রহ্মচারীর ধর্ম॥১০॥

ব্রহ্মচর্য, ভূমি-শয়ন, জটা-ধারণ আর মৃগচর্ম-পরিধান, যজ্ঞাগ্নি-প্রজ্বালন, আনুষ্ঠানিক স্নান, দেবতা, পিতৃ আর অতিথির পূজা আর বন্য আহার ভোজন—এইবিলাকেই বানপ্রস্থীর ধর্ম॥১১॥

জিতেন্দ্রিয়ত্ব, কর্মবিরতি, অপরিগ্রহ, অনাসক্তি, ভিক্ষাচর্যা, এঠাইত অনবস্থিতি, অরণ্যত বাস, বাহ্যিক আর আভ্যন্তরিক শুচিতা—পরিব্রাজক বা জটীর এইবিলাক ধর্ম॥১২॥

অহিংসা, সত্য, পরিত্রতা, অন্বেষ, অক্রূরতা আর ক্ষমা—এইবিলাক সকলোরে ধর্ম॥১৩॥ স্বধর্মত স্বর্গ আর অনন্ত সুখ লাভ হয়॥১৪॥ তাক অতিক্রম করিলে মানুহ বর্ণসঙ্করত্ব প্রাপ্ত হৈ উচ্ছন্ন হয়॥১৫॥

সেই কারণে রজাই মানুহক স্বধর্ম লঙ্ঘন করিবলৈ দিয়া উচিত নহয়; কারণ, স্বধর্ম অনুষ্ঠানর বিধান করি (রজাই) ঐহিক আর পারলৌকিক আনন্দ লাভ করে॥১৬॥

কারণ, শুদ্ধ আর্য-ধর্মর ব্যবস্থা গ্রহণ করা, বর্ণাশ্রম-ধর্মর মর্যাদা রক্ষা করা আর বেদর দ্বারা পরিপালিত হোৱা লোক সমৃদ্ধ হয়; তেওঁলোকে কষ্ট নাপায়॥১৭॥

কৌটিলীয় অর্থশাস্ত্রর "শিক্ষা-সম্পর্কীয়" নামর প্রথম অধিকরণর অন্তর্গত "বিদ্যা-নির্দেশ" প্রকরণর "তিনি বেদর (আবশ্যকতা) প্রতিপাদন" নামর তৃতীয় অধ্যায় সমাপ্ত।

চতুর্থ অধ্যায়

প্রথম প্রকরণ : বিদ্যা-নির্দেশ

(৩) অর্থশাস্ত্রর (আবশ্যকতা) প্রতিপাদন

(৪) নীতি-(রাজনীতি)শাস্ত্রর (আবশ্যকতা) প্রতিপাদন

কৃষি, পশুপালন আর বাণিজ্য—এয়ে বার্তা (অর্থশাস্ত্র); এইবিলাকে শস্য, পশু, ধন, বনজ-সম্পদ আদি প্রদান করি উপকার সাধন করে॥১॥ ইয়ার যোগেদিয়ে কোশ আর দণ্ডর (সৈন্যর) সম্যক্ প্রয়োগ করি রজাই নিজ পক্ষ আর শত্রুপক্ষক বশ করিব পারে॥২॥

Scanned with CamScanner

দর্শন-শাস্ত্র, তিনি বেদ আরু বার্তার (অর্থশাস্ত্রর) সমৃদ্ধিসাধক হৈছে দণ্ড (রাজদণ্ড); ইয়ার ব্যবহার-নীতিয়েই দণ্ড-নীতি (বা রাজনীতি); অলব্ধ বস্তু লাভ করা, লব্ধ বস্তুর পরিপালন, পরিপালিত বস্তুর বিবর্ধন আরু বিবৃদ্ধ বস্তুর সৎপাত্রত অর্পণ—এইবিলাকেই ইয়ার উদ্দেশ্য ॥৩॥ ইয়ার ওপরতে সুব্যবস্থিত সাংসারিক জীবন-যাত্রা নির্ভর করে ॥৪॥

সেই কারণে রজাই সুব্যবস্থিত সাংসারিক জীবন-যাত্রা প্রতিষ্ঠিত করিবলৈ দণ্ড ধারণ করিব ॥৫॥ "মানুহক বশ করিব লাগিবর কারণে ইয়ার নিচিনা অন্য উপায় নাই"—এই বুলি প্রাচীন আচার্যসকলে কয় ॥৬॥

কৌটিল্যই কয়, "সেইটো নহয়" ॥৭॥ কারণ, উগ্রদণ্ড রজাই প্রজার অসন্তুষ্টি জন্মায় ॥৮॥ মৃদুদণ্ড রজার পরাভব হয় ॥৯॥ যোগ্যদণ্ড রজাক পূজা করা হয় ॥১০॥

কারণ, সুবিবেচনা করি দণ্ড প্রয়োগ করিলে প্রজাসকলে ধর্ম, অর্থ আরু কাম লাভ করে ॥১১॥ কাম, ক্রোধ বা অরজার বশবর্তী হৈ দণ্ডর অপপ্রয়োগ করিলে বানপ্রস্থী আরু সন্ন্যাসীসকলরো বিদ্রোহ জগাই তোলে, গৃহস্থীসকলর কথাই নাই ॥১২॥ দণ্ড সম্যক প্রয়োগ নকরিলে মাৎস্যন্যায়র* উদ্ভব হয় ॥১৩॥ কারণ, দণ্ডধরর অভাবত বলীজনে দুর্বলক গ্রাস করে ॥১৪॥ তেওঁর দ্বারা রক্ষিত হলে তেওঁর (দুর্বলজনর) প্রভার বাঢ়ে ॥১৫॥

রজার দণ্ডর দ্বারা পালিত হৈ চারি বর্ণ আরু আশ্রমর লোকসকল নিজ নিজ পন্থাত নিজর নিজর ধর্ম আরু কর্মত রত থাকে ॥১৬॥

কৌটিলীয় অর্থশাস্ত্রর "শিক্ষা-সমুদ্দেশ" নামর প্রথম অধিকরণর অন্তর্গত "বিদ্যা-নির্দেশ" প্রকরণর "অর্থশাস্ত্রর ( ) প্রতিপাদন" আরু "নীতি (রাজনীতি) শাস্ত্রর (আবশ্যকতা) প্রতিপাদন" নামর চতুর্থ অধ্যায় সমাপ্ত।

"বিদ্যা-নির্দেশ" সমাপ্ত ॥

পঞ্চম অধ্যায়

দ্বিতীয় প্রকরণ : (জ্ঞান)বৃদ্ধসকলর সঙ্গ

সেই কারণে তিনিওখন শাস্ত্রর মূলতে আছে দণ্ডনীতি বা রাজনীতি ॥১॥ বিনয়মূলক (disciplined) রাজনীতিয়ে প্রজাসকলক সংরক্ষণ আরু অভ্যুদয় প্রদান করে ॥২॥

বিনয় (দুই প্রকার)—অধিগত আরু স্বাভাবিক ॥৩॥ উপযুক্ত পাত্রকহে শিক্ষাই বিনীত করে, অনুপযুক্তক নহয় ॥৪॥ শিক্ষার ইচ্ছা, শ্রবণ, গ্রহণ, ধারণা, সম্যক উপলব্ধি, বিচার-শক্তি আরু পরিবর্জন-শক্তি—এইবিলাকর যোগেদি বুদ্ধি অনুকূল হোৱাজনকহে বিদ্যাই বিনয় প্রদান করিব পারে, অইনক নহয় ॥৫॥

কিন্তু বিদ্যার শিক্ষা আরু বিনয় সেই সেই বিদ্যার আচার্যসকলর কর্তৃত্বর মানি চলিলেহে হয় ॥৬॥

চূড়াকরণ সমাপ্ত হোৱার পিছত (যুবরাজে) আখর আরু সংখ্যার ব্যবহার শিক্ষা করিব;

*মাৎস্যন্যায় : পানীত ডাঙর মাছ সদায় মাছক খাই জীয়াই থাকে; সেইদরে মানুহর মাজতো সবলে দুর্বলক শেষ করি জীয়াই থাকে মাৎস্যন্যায় বোলে।

উপনয়নব পিছত শিষ্টসকলবপবা বেদ আৰু দর্শন-শাস্ত্র, অধ্যক্ষসকলবপবা অর্থশাস্ত্র আৰু শাস্ত্র-পাবদর্শী আৰু প্রয়োগ-পাবদর্শীসকলবপবা দণ্ডনীতি শিক্ষা কবিব॥৮॥

ষোল বছব পর্যন্ত ব্রহ্মচর্য অবলম্বন কবিব॥৯॥ ইয়াব পিছত এওঁব গোদান (কেশান্ত) আৰু বিবাহ অনুষ্ঠান হব॥১০॥

জ্ঞানবৃদ্ধিব কাবণে নিতৌ জ্ঞানবৃদ্ধব লগত সংস্পর্শ বাখিব, কাবণ শিক্ষাব মূল তাতেই॥১১॥

দিনব প্রথম ভাগত হস্তী, অশ্ব, বথ আৰু অস্ত্রব প্রয়োগ সম্বন্ধে শিক্ষা গ্রহণ কবিব॥১২॥ পিছব ভাগত ইতিহাস শ্রবণব যোগেদি শিক্ষা-গ্রহণ কবিব॥১৩॥ পুবাণ, ইতিবৃত্ত, আখ্যায়িকা, উদাহবণ, ধর্মশাস্ত্র আৰু অর্থশাস্ত্র—এইবিলাকেই ইতিহাস॥১৪॥ নতুন বিষয়ব গ্রহণ, গৃহীত বিষয়ব লগত পবিচিত হোৱা আৰু নুশুনা বিষয় বাবে বাবে শুনা—এইবিলাক দিন আৰু বাতিব বাকী ভাগত কবিব॥১৫॥ কাবণ, অধ্যয়নবপবা প্রজ্ঞা, প্রজ্ঞাবপবা প্রয়োগ আৰু প্রয়োগবপবা প্রভুত্বব উদয় হয়—বিদ্যাব সামর্থ্য এনেকুৱাই হয়॥১৬॥

বিদ্যাশিক্ষা লাভ কবি বজাই প্রজাব বিনয়ত বত থাকে আৰু
(এনেদবেই) সকলো প্রজাব হিতসাধনত ব্যাপ্ত থাকি অদ্বিতীয় বজা
হিছাপে বাজ্য শাসন কবে॥১৭॥

কৌটিলীয় অর্থশাস্ত্রব "শিক্ষা-সম্পর্কীয়" নামব প্রথম অধিকবণব অন্তর্গত "(জ্ঞান)-বৃদ্ধসকলব সঙ্গ" নামব পঞ্চম অধ্যায় সমাপ্ত।

ষষ্ঠ অধ্যায়

তৃতীয় প্রকবণ : ইন্দ্রিয়-জয়

(১) বিপুষড্‌বর্গ-ত্যাগ

বিদ্যাসমূহত বিনয়ব হেতু ইন্দ্রিয়-জয় কাম, ক্রোধ, লোভ, মান, মদ আৰু হর্ষ ত্যাগব যোগেদি অভ্যাস কবিব লাগে॥১॥ কর্ণ, ত্বক্, চক্ষু, জিহ্বা আৰু নাসিকা ইন্দ্রিয়ব দ্বাবা শব্দ, স্পর্শ, বূপ, বস আৰু গন্ধব অধিক ভোগাসক্তিব অভাবেই ইন্দ্রিয়-জয় নাইবা এই শাস্ত্রব অনুষ্ঠান দ্বাবাও ইন্দ্রিয়-জয় হয়॥২॥ কাবণ, এই গোটেই শাস্ত্রখন ইন্দ্রিয় নিয়ন্ত্রণমূলক॥৩॥

ইন্দ্রিয় জয় কবিব নোৱাবি ইয়াব (শাস্ত্রানুষ্ঠানব) বিবুদ্ধাচবণ কবিলে সসাগবা পৃথিবীব বজাও ধ্বংসপ্রাপ্ত হয়॥৪॥ যেনে, ভোজবাজ দাণ্ডক্য কামব বশবর্তী হৈ ব্রাহ্মণ-কন্যাব প্রতি পাপ কামনা কবি বাষ্ট্র আৰু বন্ধুবর্গবে সৈতে বিনষ্ট হৈছিল; নিমিবাজ কবালো (তেনেকৈয়ে বিনষ্ট হৈছিল)॥৫॥ ষণ্ড ব্রাহ্মণসকলক অত্যাচাব কবাব কাবণে জনমেজয় বজাব ধ্বংস হৈছিল; ভৃগুকুলক অত্যাচাব কবাব কাবণে তালজঙ্ঘও (ধ্বংসপ্রাপ্ত হৈছিল)॥৬॥ লোভত চাতুর্বর্ণ্যবপবা ধন আদায় কবি ঐল ধ্বংসপ্রাপ্ত হৈছিল; তেনেকৈয়ে সৌবীবৰাজ অজবিন্দুবো (ধ্বংস হৈছিল)॥৭॥ অভিমানত পবস্ত্রী প্রত্যর্পণ নকবি বাবণ বাজাব অংশ প্রদান নকবি দুর্যোধন (বিধ্বস্ত হৈছিল)॥৮॥ অহঙ্কাবত প্রাণীবিলাকক তুচ্ছ জ্ঞান কবি দম্ভোদ্ভব আৰু হৈহয় ফৈদব অর্জুনো ধ্বংসপ্রাপ্ত হৈছিল॥৯॥ হিতাহিত জ্ঞান

হেৱুৱাই অগস্ত্যক হত্যা কৰিবলৈ মন কৰোঁতে বাতাপিৰ ধ্বংস হৈছিল; দ্বৈপায়নক হত্যা কৰিবলৈ ৰাওঁতে বৃষ্ণিবংশৰ ধ্বংস হৈছিল॥১০॥

ইন্দ্রিয়-জয় কৰিব নোৱাৰি, বিপড্‌ষড্‌বৰ্গক আঁকোৱালি ধৰি এওঁলোক আৰু অইন অনেক বজা জাতি আৰু ৰাজ্যৰে সৈতে ধ্বংসপ্ৰাপ্ত হৈছিল॥১১॥

জিতেন্দ্রিয় জানদণ্যই আৰু নভাগৰ পুত্ৰ অম্ববীষেও অবিষড্‌বৰ্গ ত্যাগ কৰি বহুত দিনৰ কাৰণে ৰাজ্য শাসন কৰিছিল॥১২॥

*কৌটিলীয় অর্থশাস্ত্ৰৰ "শিক্ষা-সম্পৰ্কীয়" নামৰ প্ৰথম অধিকৰণৰ অন্তৰ্গত "ইন্দ্রিয়-জয়" প্ৰকৰণৰ "অবিষড্‌বৰ্গ-ত্যাগ" নামৰ ষষ্ঠ অধ্যায় সমাপ্ত।

সপ্তম অধ্যায়

তৃতীয় প্ৰকৰণ : ইন্দ্রিয়-জয়

(২) ৰাজৰ্ষিৰ আচৰণ

সেই কাৰণে বিপড্‌ষড্‌বৰ্গ পৰিত্যাগ কৰি ইন্দ্রিয়বিলাকক দমন কৰিব, জ্ঞানবৃদ্ধসকলৰ সংস্পৰ্শত জ্ঞান আহৰণ কৰিব, চোৱাংচোৱাৰ যোগে দৃষ্টিলাভ কৰিব, উদ্যমৰ যোগে অভ্যুদয় আৰু মঙ্গল সাধন কৰিব, (স্ব)কৰ্মৰ অনুষ্ঠানৰ যোগে (প্ৰজাৰ প্ৰতি) কৰ্তব্যৰ নিৰ্দেশ কৰিব, শাস্ত্ৰচৰ্চাৰ যোগে বিনয় আচৰণ কৰিব, আৰ্থিক উপকাৰেৰে জনপ্ৰিয়তা লাভ আৰু হিতজনক কাৰ্যেৰে উচিত জীৱিকাৰ বিধান কৰিব॥১॥

এনেকৈ ইন্দ্রিয় বশ কৰি পৰৱ স্ত্রী আৰু দ্রব্য আৰু হিংসা বৰ্জন কৰিব; (তেনেকৈয়ে) নিদ্রা, অস্থিৰতা, অসত্য, পোছাক-পৰিচ্ছদৰ আড়ম্বৰ, অবাঞ্ছনীয় লোকৰ লগত সংস্পৰ্শ, অন্যায়জনক আৰু অমঙ্গলীয়া ব্যৱহাৰ (বৰ্জন কৰিব)॥২॥

ধর্মার্থৰ বিৰোধ নোহোৱাকৈ কামৰ (ইন্দ্রিয়সুখৰ) সেৱা কৰিব; (ইন্দ্রিয়-সুখৰ কাৰণে) অতিষ্ঠ নহব॥৩॥ নাইবা পৰস্পৰ সম্বন্ধ ত্রিবৰ্গক সমানে সেৱা কৰিব॥৪॥ (কাৰণ) ধর্ম, অর্থ আৰু কামৰ যি কোনো এটাক বেছিকৈ প্ৰশ্ৰয় দিলে ই নিজৰ আৰু বাকী দুটাৰ অনিষ্ট সাধন কৰে॥৫॥

"অর্থই (অর্থনীতিৰ সমৃদ্ধিয়েই) প্ৰধান"—এই বুলি কৌটিল্যই কয়॥৬॥ কাৰণ অর্থই ধর্ম আৰু কামৰ মূল॥৭॥

আচৰণৰ আৰ্হি হিছাপে আচার্য বা মন্ত্রীক আগত ৰাখিব যি এওঁক (ৰজাক বা যুৱৰাজক) বিপদাশ্রয় অৱস্থাবপৰা ৰক্ষণ কৰিব, ছায়ানালিকা-ৰূপ অংকুশ*-প্ৰয়োগৰ যোগেদি গোপন প্ৰমাদত সতর্ক কৰি দিব॥৮॥

সহায়-সাৰথি হলেহে শাসন চলে, এটা চকা অকলে নঘুৰে; সেই

---

* ছায়ানালিকা-অংকুশ : ছায়া আৰু নালিকা—দুয়োটাই সময়ৰ জোখ; ইহঁতক অংকুশ বোলা হৈছে এই কাৰণে যে আচার্যসকলে ৰজাক যথাসময়ত নিজৰ কর্তব্য সোঁৱৰাই দি অংকুশৰ কাম কৰিব।

কাবণে মন্ত্রী নিয়োগ কবিব আব্ তেওঁলোকব মতলৈ কাণ কবিব॥৯॥

কৌটিলীয় অর্থশাস্ত্রব "শিক্ষা-সম্পর্কীয়" নামব প্রথম অধিকবণব অন্তর্গত "ইন্দ্রিয়-জয়" প্রকবণব "বাজবিব আচবণ" নামব সপ্তম অধ্যায় সমাপ্ত।

অষ্টম অধ্যায়

চতুর্থ প্রকবণ : অমাত্য-নিয়োগ

"সততা আব্ সামর্থ্য জনা থকাব কাবণে সহপাঠীসকলক অমাত্যব্পে নিয়োগ কবিব" —এই ব্লি ভাবদ্বাজে কয়॥১॥ "কাবণ, তেওঁবিলাক এওঁব বিশ্বাসযোগ্য হয়"॥২॥ বিশালাক্ষই কয়, "সেইটো নহয়॥৩॥ কাবণ খেলাব লগবীয়া হিছাপে এওঁক তেওঁবিলাকে অবজ্ঞা কবিব॥৪॥ একে স্বভাব আব্ দোষ থকা গতিকে গোপন বিষয়ত যিসকল এওঁবে সৈতে একেধর্মী তেওঁলোকক অমাত্যব্পে নিয়োগ কবিব॥৫॥ কাবণ, তেওঁলোকব নিজব গোপনীয় কথাবোব জানে ব্লি ভয়তে তেওঁলোকে এওঁব জগব নলগাব"॥৬॥

"এই দোষ সাধাবণ"—এই ব্লি পবাশবব শিষ্যসকলে কয়॥৭॥ "তেওঁবিলাকেও (বজাব) গোপনীয় কথা জানে ব্লি তেওঁবিলাকব ভাল-বেয়া দুয়োবিধ কামতে তেওঁ ক্ষান্ত থাকিব লাগিব"॥৮॥

"যিমান বিলাক মানুহক বজাই (নিজব) গোপনীয় কথা কয় সেই কর্মব বাবে নিব্পায় হৈ সিমানবিলাক মানুহব বহতীয়া হ'ব লাগে"॥৯॥

"প্রাণব সংশয়যুক্ত বিপদত যিয়ে এওঁক সহায় কবিব তেওঁব প্রতি অনুবাগ পবিদৃষ্ট হোবা কাবণে তেওঁকেই অমাত্য কবিব"॥১০॥

"সেইটো নহয়"—এই ব্লি পিশুনে কয়॥১১॥ "ই বাজভক্তিহে, মস্তিষ্কব গুণ নহয়"॥১২॥ যি কর্মব আয়ব হিছাপ কবা হৈছে, তেনে কর্মত নিযুক্ত হৈ যি হিছাপমতে বা তাতোকৈ বেছি অর্থব যোগান ধবিব পাবে, গুণ পবিদৃষ্ট হোবা কাবণে তেনে লোকক অমাত্য পাতিব"॥১৩॥

"সেইটো নহয়"—এই ব্লি কৌণপদন্তই কয়॥১৪॥ "কাবণ, এওঁলোক অমাত্যব অইন-বিলাক গুণেবে যুক্ত নহয়॥১৫॥ যিসকলে পিতৃ-পিতামহব দিনবেপবা (উত্তবাধিকাবীসূত্রে) অমাত্য-পদবী অধিকাব কবি আহিছে, নির্মল স্বভাব পবিদৃষ্ট হোবা কাবণে তেওঁলোকক অমাত্যব্পে নিয়োগ কবিব॥১৬॥ একে বংশব হোবা কাবণে কু-ব্যবহাব কবিলেও তেওঁ-বিলাকে এওঁক এবি নিদিয়ে॥১৭॥ ইতব প্রাণীব মাজতো এনে (স্বভাব) দেখা যায়॥১৮॥ গবুৰেও অন্য গোহালিব গবু এবি গৈ একে গোহালিব গবুব মাজত অবস্থান্ কবে"॥১৯॥

বাতব্যাধিয়ে কয়, "সেইটো নহয়॥২০॥ কাবণ, তেওঁলোকে তেওঁব (বজাব) সকলো বস্তুব ওপবত আধিপত্য কবি গিবিহ'তব নিচিনাকৈ বিচবণ কবে॥২১॥ সেই কাবণে নীতি-শাস্ত্রত পাৰ্গত নতুনজনক অমাত্য নিয়োগ কবিব॥২২॥ দণ্ডধাবী বজাক যমসদৃশ জ্ঞান কবি নতুন-সকলে কোনো অপবাধ আচবণ নকবিব"॥২৩॥

বাহুদন্তীপুত্রই কয়, "সেইটো নহয়॥২৪॥ কাবণ, কর্মত অনভিজ্ঞজন শাস্ত্রজ্ঞ হ'লেও

কর্মত (রাজকার্য পরিচালনাত) হতাশ হয়॥২৫॥ সেই কারণে গুণক প্রাধান্য দি উচ্চসংশয়ি, জ্ঞানী, পবিত্র, বীর আরু অনুরক্তজনক অমাত্য করিব"॥২৬॥

"(ওপরত কোরা) সকলোরোবেই বর্তিষ্যন্তে"—এই বুলি কৌটিল্যই কয়॥২৭॥ কারণ, কার্যর প্রতি সামর্থ্যহে পুরুষর সামর্থ্য বিচার করা হয়॥২৮॥ আরু সামর্থ্য অনুসরি—

অমাত্যর (উপরুক্ত) পদবীবিভাগ আরু স্থান, কাল আরু কর্ম নিরূপণ

করি এই সকলোবিলাকক অমাত্য করিব, কিন্তু মন্ত্রী (পরামর্শদাতা) নকরিব॥২৯॥

কৌটিল্যীয় অর্থশাস্ত্রর "শিক্ষা-সম্পর্কীয়" নামর প্রথম অধিকরণর অন্তর্গত "অমাত্য-নিয়োগ" নামর অষ্টম অধ্যায় সমাপ্ত।

নৱম অধ্যায়

পঞ্চম প্রকরণ : উপদেষ্টা আরু পুরোহিত-নিয়োগ

স্বদেশীয়, সম্বংশজাত, সহজে নিয়ন্ত্রণ করিব পরা, শিল্পনিপুণ, (শাস্ত্রত) তীক্ষ্ণদৃষ্টি-সম্পন্ন, জ্ঞানী, অধ্যবসায়ী, দক্ষ, বাগ্মী, সাহসী, উপস্থিত বুদ্ধি থকা, উৎসাহযুক্ত, প্রভাব-সম্পন্ন, কষ্টসহিষ্ণু, ন্যায়পরায়ণ, মিতভাষাপন্ন, দৃঢ়ানুরক্ত, চরিত্র, বল, স্বাস্থ্য আরু মনোবল-যুক্ত, স্থিরতা আরু চাঞ্চল্যবিহীন, সহনশীল, শত্রু সৃষ্টি নকরা—এইবিলাকেই অমাত্যর গুণ॥১॥ ইয়ার এক-চতুর্থাংশ আরু আধা নাইকিয়াজনেই (ক্রমে) মধ্যম আরু নিকৃষ্টতম (অমাত্য)॥২॥

ইয়ার নিজস্ব দেশ, আভিজাত্য আরু সহজে নিয়ন্ত্রণ করিব পরা—এইকেইটা গুণ জাতিজন্যপরা, শিল্পনৈপুণ্য আরু শাস্ত্রত তীক্ষ্ণদৃষ্টিসম্পন্নত সেই সেই বিদ্যাপারদর্শিতা-সকলরপরা, জ্ঞান, অধ্যবসায় আরু কার্যদক্ষতা কর্মর পরিচালনারপরা, বাগ্মিতা, সাহস আরু উপস্থিত বুদ্ধি আলাপ-আলোচনার যোগে, উৎসাহ, ক্ষমতা আরু কষ্টসহিষ্ণুতা বিপদ-আপদত, ন্যায়পরায়ণতা, মিতভাষ আরু দৃঢ়ানুরক্ততা আদান-প্রদানর যোগে, চরিত্র, বল, স্বাস্থ্য আরু মনোবল বংশানুক্রমে স্থিরতা আরু চাঞ্চল্যবিহীনতা সহচরসকলরপরা আরু জনপ্রিয়তা আরু শত্রু সৃষ্টি নকরা স্বভাব নিকে পর্যবেক্ষণ করি পরীক্ষা করিব॥৩॥

ব্যাপ্ত-কার্য (তিনি প্রকার)—প্রত্যক্ষ, পরোক্ষ আরু অনুমেয়॥৪॥ নিজে দেখাটো প্রত্যক্ষ (অর্থাৎ নিজর বুদ্ধিমতে করাটো প্রত্যক্ষ)॥৫॥ অইনর পরামর্শ অনুসরি করাটো পরোক্ষ॥৬॥ করা কামবপরা করিবলৈ থকা কামর ধারণা করাই অনুমেয়॥৭॥ কিন্তু কর্মবিলাক একেলগে এরে সময়তে বহুত ঠাইত সম্পাদন করিব লগীয়া হোরাত আরু বহুত হোরাত স্থান আরু কালর ব্যতিক্রম হোরাত নহয় সেই কারণে পরোক্ষ কর্মবিলাক অমাত্যর হাতুরাই করাব॥৮॥

ইয়াতে "অমাত্য-(নিয়োগ) কর্ম" (শেষ হ'ল)॥ চরিত্র আরু কুলত উৎকৃষ্ট, সাংগ বেদ, নিজ নৈমিত্তিক আরু অর্থনৈতিক বিষয়ত পারংগত, অথর্ববেদত নির্দিষ্ট উপায়র দ্বারা দৈবিক আরু মানবিক আপদর প্রতিকার করিব পরা এজন পুরোহিত নিয়োগ করিব॥৯॥ শিষ্যই গুরুর, পুত্রই পিতৃর আরু চাকরে গিরিহঁতর অনুবর্তন করার নিচিনাকৈ তেওঁ (রজাই) তেওঁর (পুরোহিতক) অনুবর্তন করিব॥১০॥

ব্রাহ্মণত্ব যোগেদি বর্ধিত, মন্ত্রীর মন্ত্রণারূপ মন্ত্রর যোগে হৃত, (অর্থ)-শাস্ত্রর নির্দেশরূপ স্তোত্রর দ্বারা স্তুত ক্ষত্রিয়-তেজে নিজে অজেয় থাকি সকলোকে জয় করে॥১১॥

কৌটলীয় অর্থশাস্ত্রর "শিক্ষা-সম্পর্কীয়" নামর প্রথম অধিকরণর অন্তর্গত "মন্ত্রী আরু পুরোহিত-নিয়োগ" নামর নবম অধ্যায় সমাপ্ত।

দশম অধ্যায়

ষষ্ঠ প্রকরণ : গোপন পরীক্ষার যোগেদি অমাত্যসকলর কলুষতা আরু অকলুষতার জ্ঞান

মন্ত্রী আরু পুরোহিতর লগত পরামর্শ করি অমাত্যসকলক সাধারণ অধিকারত নিযুক্ত বাকি গোপন পরীক্ষার যোগে তেওঁলোকর অকলুষতা নির্ণয় করিব॥১॥

অযাজনীয়র ঘরত যাজন বা তেনেজনক অধ্যাপনা করিবলৈ নিযুক্ত করা যাবে কষ্ট হোৱা বুলি বজাই পুরোহিতক বিসর্জন করিব (অর্থাৎ বিসর্জন করার ভাও দিব)॥২॥ তেওঁ (পুরোহিতে) গুপ্ত প্রবোচকর দ্বারা প্রত্যেক অমাত্যকে এজন এজনকৈ শপত খুৱাই লৈ এনেকৈ উত্তেজিত করিব—"এই রজা অধার্মিক: আমি অন্য এজন ধার্মিকক অভিষিক্ত করোহঁক যি হয়তো তেওঁর বংশর কোনো এজন দায়াপ্রতিষ্ঠাপক, অনন্যগৃহীত যুৱরাজ, কোনো নৃপসন্ততি, রাজ্যর এক স্তম্ভস্বরূপ কোনো লোক, কোনো সামন্তরাজ আটবিত্ত নাইবা নতুনকৈ ক্ষমতাত আরূঢ় কোনো ব্যক্তি হব পারে। ই সকলোরে অভিমত; আপোনার বা কেনে লাগিছে?"॥৩॥ যদি প্রত্যাখ্যান করে তেতিয়া খুজিব তেওঁ সন্দেহর বাহিৰ॥ এয়ে ধর্মর (গোপন)-পরীক্ষা॥৪॥

অসৎ মানুহক পরিপালন করার কারণে (মিছাকৈ) বিসর্জিত সেনাপতিয়ে রজাক বিনাশ করিবর কারণে লোভনীয় অর্থ প্রদান করি গুপ্ত প্রবোচকর দ্বারা এজন এজনকৈ প্রত্যেক অমাত্যকে এনেকৈ উত্তেজিত করিব—"এইজৌ সকলোরে ভাল বুলিছে, আপুনি কেনে বোলে?"॥৫॥ যদি প্রত্যাখ্যান করে তেতিয়া তেওঁ শুচি॥ এয়ে অর্থর গোপন পরীক্ষা॥৬॥

অন্তঃপুরত বিশ্বাসযোগ্য বুলি পরিগণিত হোৱা সম্মানিত (কোনো) পরিব্রাজিকাই এজন এজনক প্রত্যেক মন্ত্রীক প্রবোচিত করিব—"সমাগমর উপায় হাতত বাকি থাকিয়ে আপোনাক কামনা করিছে; আপোনার বহুত টকাকড়িও লাভ হব ইত্যাদি"॥৭॥ প্রত্যাখ্যান করিলে (খুজিব) তেওঁ পরিত্র॥ এয়ে কামর গোপন পরীক্ষা॥৮॥

প্রহরণ (উৎসর বা বলিভাত আদি) উপলক্ষে কোনো এক অমাত্যই সকলো অমাত্যকে আহ্বান করিব॥৯॥ ইয়াতে উন্মিষন (যেন) হৈ রজাই তেওঁলোক সকলোকে কারাবদ্ধ করিব॥১০॥ আগতে কারাবদ্ধ হোৱা কোনো কূটনৈতিক অর্থ আরু সম্মানত ক্ষুণ্ণ হোৱা অমাত্যসকলক এজন এজনকৈ গুপ্তভাৱে প্রবোচিত করি কব—"এই রজা অসৎ কামত প্রবৃত্ত, এওঁক হত্যা করি অন্য এজনক প্রতিষ্ঠিত করোহঁক: এই কথা সকলোরে ভাল পাইছে, আপুনি কেনে দেখে"॥১১॥ প্রত্যাখ্যান করিলে খুজিব তেওঁ শুচি॥ এয়ে ভয়র গোপন পরীক্ষা॥১২॥

Scanned with CamScanner

তাব ভিতবত ধর্মব গোপন পবীক্ষাব যোগেদি শুদ্ধ বুলি বিবেচিত হোৱাসকলক ধর্ম-বিচাব আৰু অপবাধীক দণ্ড বিহা কর্মত নিয়োগ কবিব; অর্থব গোপন পবীক্ষাব যোগেদি শুদ্ধ বুলি বিবেচিত হোৱাসকলক সমাহর্তা আৰু ভঁৰালীব কামত নিয়োগ কবিব; কামব গোপন পবীক্ষাত শুদ্ধ বিবেচিত হোৱাসকলক উদ্যান আৰু অন্তঃপুব আদি বক্ষাকর্মত নিয়োগ কবিব; ভয়ব গোপন পবীক্ষাত শুদ্ধ বুলি বিবেচিত হোৱাসকলক বজাব পার্শ্ববর্তী হৈ কবিব লগীয়া কামত নিয়োগ কবিব॥১০॥ সকলো গোপন পবীক্ষাত শুদ্ধসকলক মন্ত্রী (উপদেষ্টা) কবিব॥১৪॥ সকলো গোপন পবীক্ষাতে অশুদ্ধ বুলি পবিগণিত হোৱাসকলক খনিত দ্রব্যবন আৰু হস্তীবনত আৰু কর্মান্তত (factoryত) নিয়োগ কবিব॥১৫॥

ত্রিবর্গত (ধর্ম, অর্থ আৰু কামত) আৰু ভয়ত শুদ্ধ অমাত্যসকলক পবিত্রতা অনুসবি নিজ নিজ কর্মত নিয়োগ কবিব—এনেকৈ (পূর্ব) আচার্যসকলে ব্যবস্থা দি গৈছে॥১৬॥

কিন্তু অমাত্যসকলব পবিত্রতা পবীক্ষা কবিবব কাবণে (বজাই) নিজক বা বণীক কৌতিয়াও পবীক্ষাব পাত্র হিছাপে গ্রহণ নকবিব—ই কৌটিল্যব দৃঢ় অভিমত॥১৭॥

বিহেবে পানী দূষিত কবাব দবে (পবিত্রত্ব পবীক্ষা কবিবব কাবণে) পবিত্রজনক দুর্নীতিত লিপ্ত কবিব নালাগে, কাবণ কৌতিয়াবা কোনো লোক দুর্নীতিত লিপ্ত হ'লে তাব প্রতিকাবো নাইকিয়া হয়॥১৮॥

(কাবণ) যৌতিয়া চাবিবিধ গোপন পবীক্ষাব যোগে কলুষিত হয়, তৌতিয়া দৃঢ়মনা মানুহব প্রবল ইচ্ছাজড়িত বুদ্ধি শেষ সীমা নোপোৱা-লৈকে ঘুবি নাহে॥১৯॥

সেই কাবণে বজাই কোনো বাহিবব লোকক চতুর্বিধ (গোপন) পবীক্ষাব পাত্র কবি গুপ্তচবব যোগে অমাত্যসকলব পবিত্রতা-অপবিত্রতা বিচাব কবিব॥২০॥

কৌটিল্যীয় অর্থশাস্ত্রব "শিক্ষা-সম্পর্কীয়" নামব প্রথম অধিকবণব অন্তর্গত "গোপন পবীক্ষাব যোগেদি অমাত্যসকলব কলুষতা আৰু অকলুষতাব জ্ঞান" নামব দশম অধ্যায় সমাপ্ত।

একাদশ অধ্যায়

সপ্তম প্রকবণ : চোবাংচোৱাব নিয়োগ

(১) চোবাংচোৱাব সংস্থা-সৃষ্টি

গোপন পবীক্ষাব দ্বাবা অমাত্যবর্গব শুচিতা প্রতিপন্ন হ'লে কাপটিক, উদাস্থিত, গৃহ-পতিকব্যঞ্জন, বৈদেহকব্যঞ্জন, তাপসব্যঞ্জন, সত্রী, তীক্ষ্ণ, বসদ আৰু ভিক্ষুকীক চোবাং-চোৱাবৃপে নিয়োগ কবিব॥১॥

পবব মর্মজ্ঞ (অন্তবব কথা জনা) সাহসী ছাত্রক কাপটিক বোলা হয়॥ তেওঁক টকা আৰু সম্মানেবে উৎসাহ দি মন্ত্রীয়ে কব, "মহাবাজ আৰু মোক প্রভু বুলি মানি লৈ যাবে ঘতে কিবা বেয়া দেখা আমাক জনাবা॥৩॥

প্রব্রজ্যা সমাপ্ত কবা বুদ্ধিমান আবু সাধু লোকেই উদাহৃত॥৪॥ তেওঁ জীৱিকা প্রবর্তন কৰিবৰ কাৰণে নির্দিষ্ট কোনো ঠাইত বহুত টকা আবু সহচৰ লৈ (নিজ নিজ) কাম কৰাই থাকিব॥৫॥ আবু ইয়াৰ লাভৰপৰাই সকলো সন্ন্যাসীকে আহাৰৰ, কাপোৰৰ আবু থকা ঘৰৰ যোগান ধৰিব॥৬॥ (তাৰ ভিতৰত) জীৱিকা বিচৰাসকলক প্রবোচনা দিব—"এই বেশতে বজাৰ হকে কাম কৰিব লাগিব; আহাৰ আবু বেতনৰ সময়ত (ইয়াত) উপস্থিত হ'বাহি"॥৭॥ সকলো ঘূৰি ফুৰা সন্ন্যাসীয়ে নিজ নিজ সংঘৰ মাজত এনেকৈয়ে গোপন প্রস্তাৱ দিব॥৮॥

বুদ্ধিমান আবু সৎ প্রবৃত্তিৰ ক্ষীণবৃত্তি খেতিয়কক গৃহপতিকব্যঞ্জন বোলে॥৯॥

তেওঁ কৃষিকৰ্ম প্রবর্তন কৰিবৰ কাৰণে নির্দিষ্ট কোনো ঠাইত—ইত্যাদি ইত্যাদি আগৰ দৰে (ওপৰৰ ৫নং সূত্ৰৰ দৰে)॥১০॥

বুদ্ধিমান আবু সৎ প্রবৃত্তিৰ ক্ষীণবৃত্তি বেপাৰীকেই বৈদেহকব্যঞ্জন বোলে॥১১॥ তেওঁ বাণিজ্য-কৰ্ম প্রবর্তন কৰিবৰ কাৰণে নির্দিষ্ট কোনো ঠাইত—ইত্যাদি ইত্যাদি আগৰ দৰে॥১২॥

(স্থায়ী) জীৱিকাৰ অন্বেষণকাৰী মূৰ খুৰোৱা বা জটাধাৰী সন্ন্যাসীকে তাপসব্যঞ্জন বোলে॥১৩॥ লগত বহুত মূৰ খুৰোৱা বা জটাধাৰী সহচৰ লৈ নগৰৰ আশে পাশে থাকি লোকক দেখুৱাই এমাহ বা দুমাহৰ মূৰে মূৰে শাক বা যৱ এমুঠি খাব, মনে মনে কিন্তু ভাল লগা আহাৰকে খাই থাকিব॥১৪॥ বৈদেহকব্যঞ্জনৰ তলতীয়া লোকসকলে তন্ত্ৰ-মন্ত্ৰৰ বলেৰে (লোকক) ঐশ্বৰ্যশালী কৰিব পাৰে বুলি এই তাপসব্যঞ্জনক মান-সংকাৰ দেখুৱাব॥১৫॥ এওঁৰ শিষ্যসকলেও জাহিৰ কৰিব, "এওঁ সিদ্ধ পুৰুষ; সকলোকে ঐশ্বৰ্য-সম্পন্ন কৰিব পাৰে"॥১৬॥ ঐশ্বৰ্যৰ শান্ত উপস্থিত হোৱাসকলক অংগবিদ্যা* আবু শিষ্যৰ সংকেতৰ দ্বাৰা—"ই আজি বা কাইলৈ সংঘটিত হ'ব, নাইবা ইয়াক বজাই কৰিব" বুলি কৈ তেওঁবিলাকৰ পৰিয়ালত ঘটা কথাবিলাকৰ নির্দেশ দিব, যেনে—অলপীয়া লাভযুক্ত ব্যৱসায়, অগ্নিদাহ, চো�ৰৰ উপদ্রৱ, বিশ্বাসঘাতকৰ বধ, (বজাই) তুষ্ট হৈ দিব খোজা দান, বিদেশত ঘটা ঘটনাৰ বাতৰি॥১৭॥ এওঁৰ গুপ্ত প্রবোচক আবু চৰবিলাকে তাক (ভবিষ্যৎ-বাণী) সম্পন্ন কৰিব॥১৮॥ উৎসাহ, জ্ঞান আবু বাক্‌শক্তিসম্পন্ন পুৰুষসকলৰ প্রতি বজাৰ হাতত তেওঁলোকৰ ভাগ্যোদয় হোৱাৰ ভবিষ্যৎ-বাণী কৰিব আবু মন্ত্ৰীৰ লগত (আসন্ন) যোগাযোগৰ কথা কৰ॥১৯॥ মন্ত্ৰীয়েও এওঁবিলাকৰ জীৱিকা আবু কৰ্মৰ কাৰণে চেষ্টা কৰিব॥২০॥

যিসকলৰ (যুক্তিযুক্ত) কাৰণত খং উঠিছে, তেওঁলোকক টকা-কড়ি আবু সম্মানেৰে শান্ত কৰিব, অকাৰণতে ক্লেশ কৰাসকলক আবু বজাৰ অনিষ্ট কৰাসকলক গোপনে শাস্তি দি (শান্ত কৰিব)॥২১॥

বজাৰ দ্বাৰা অর্থ আবু মানৰ যোগে সম্মানিত হৈ তেওঁবিলাকে ৰাজ-কৰ্মচাৰীসকলৰ পৰিত্রতা নির্ণয় কৰিব। এনেকৈয়ে (চৰবিলাকৰ) পাঁচোটা সংস্থাৰ বর্ণনা দিয়া হ'ল॥২২॥

কৌটিলীয় অর্থশাস্ত্ৰৰ "শিক্ষা-সম্পর্কীয়" নামৰ প্রথম অধিকৰণৰ অন্তর্গত "চোৰাংচোৰাৰ নিয়োগ—তাৰ সংস্থা-সৃষ্টি" নামৰ একাদশ অধ্যায় সমাপ্ত।

* অংগবিদ্যা : প্রশ্নকর্তাৰ শৰীৰ স্পর্শ কৰি প্রশ্নৰ উত্তৰ দিব পৰা বিদ্যাবিশেষ।

দ্বাদশ অধ্যায়

সপ্তম প্রকরণ : (ক্রমশঃ)

(২) চলন্ত চরর নিয়োগ

অষ্টম প্রকরণ : চোরাংচোরার কার্য-বিধি

জ্ঞাতিকুটুম্বহীন গতিকে অরশ্যে ভরণ-পোষণর যোগ্য লোকসকলে যেতিয়া শারীরিক লক্ষণ-বিজ্ঞান, অঙ্গবিদ্যা, যাদুবিদ্যা, মায়াবিদ্যা, আশ্রমধর্ম, নিমিত্ত-বিজ্ঞান, অন্তরচক্র* আদি বা মানুহর লগত সংসর্গ-কৌশল অধ্যয়ন করে সেইসকলেই চোরাংচোরা॥১॥

দেশর যিসকল সাহসী মানুহে টকা-পইচার কারণে শরীরলৈ কর্ণপাত নকরি হাতী নাইবা (অন্য কোনো) ক্রূর জন্তুর লগত যুজে তেওঁলোকেই তীক্ষ্ণ-চর বুলি কোৱা হয়॥২॥

নিজর আপোনজনর প্রতিও মরম নাইকিয়া নিষ্ঠুর, (অথচ) এলেহুৱাসকলক বসদ বুলি কোৱা হয়॥৩॥

অন্তঃপুরত সম্মানিতা, কথাত পাকৈত, দরিদ্র বিধবা ব্রাহ্মণী পরিব্রাজিকার (সন্ন্যাসিনীর) বেশত জীৱিকা বিচারি ডাঙর ডাঙর বিষয়াসকলর ঘরলৈ যায়॥৪॥ এওঁর (পদবীর) দ্বারা মুণ্ডন করা নাস্তিক তপস্বিনীসকলর পদবীও ব্যাখ্যাত হ'ল॥৫॥ এয়ে চলন্ত চরর বিৱরণ॥

[ইয়াতে সপ্তম প্রকরণ সমাপ্ত হ'ল]

দেশ, বেশ, জীৱিকা, ভাষা আরু বংশর বিশ্বাসযোগ্যতা ঘোষণা করি সামর্থ্য আরু আনুগত্য অনুসরি বজাই সেইসকলক নিজর দেশত মন্ত্রী, পুরোহিত, সেনাপতি, যুৱরাজ, দ্বাররক্ষী, অন্তঃপুরর বিষয়া, প্রশাস্তা (director), সমাহর্তা (administrator বা collector), সংনিধাতা (মুখ্য ভঁৰালী), প্রদেষ্টা (magistrate), (সৈন্যর) নায়ক, নগরর ধর্মাধিকার, কার্মান্তিক (কারখানার অধ্যক্ষ), মন্ত্রীপরিষদ, অধ্যক্ষ, সেনাপতি, দুর্গপাল, অন্তপাল আরু আটৱিক—এই সকলোরে ওপরত চকু রাখিবলৈ নিয়োগ করিব॥৬॥

ছাতি, পানীর পাত্র, বিচনী, জোতা, আসন আরু যান-বাহনর বাহক হৈ তীক্ষ্ণ চর-বিলাকে তেওঁবিলাকর বাহ্যিক কার্য-কলাপ গোপনে লক্ষ্য করি থাকিব॥৭॥ সেই গোপন কর্মবিলাক চরবিলাকে চর-সংস্থাবিলাকলৈ প্রেরণ করিব॥৮॥

বান্ধোন, পরিবেশক, গাধোৱা ঘরর যোগালি, তালধৰা, বিচনা প্রস্তুত নাপক, নাপিত আরু পরিচারকরূপে থকা বসদ চরবিলাকে, কুঁজা, বাওনা, কিরাত, বোবা, কলা, অলর-অচর আরু কলা মানুহর ভাও দিয়া মানুহবিলাকে আরু নট, নর্তক, গায়ন, বায়ন, কথক আরু চারণ-সকলে, তেনেকুরা আইকী মানুহরোরেও সেই বিষয়াসকলর আভ্যন্তরীণ কার্যকলাপর উহ লৈ ফুরি বা-বতরি দিব॥৯॥ সেই বার্তাবিলাক ভিক্ষুকী (বৌদ্ধ-সন্ন্যাসিনীবেশী গুপ্তচর) বিলাকে চরসংস্থাবিলাকলৈ প্রেরণ করিব॥১০॥

সংস্থার সহকারী কর্মীসকলে গোপনে সংগ্রহ করা বার্তাবিলাক সাঙ্কেতিক লিপির যোগে

---

* অন্তরচক্র : কথাসরিৎসাগরর বৃহৎসংহিতামতে এটা ঘরর বাহিরটো দিশ গণনা করি তারপরা শুভাশুভ লক্ষণ নির্ণয় করাকে অন্তরচক্র বোলে।

Scanned with CamScanner

প্ৰেৰণ কৰিব॥১১॥ সংস্থাবিলাকে নাইবা সহকাৰীসকলে পৰস্পৰে [illegible] জানিব নালাগিব॥১২॥

য'ত ভিক্ষুকী (বৌদ্ধ সন্ন্যাসিনী)সকলৰ প্ৰৱেশ নিষিদ্ধ তাত (চাকৰ-নাকৰবোৰৰ) মাক-বাপেকৰ ভাও ধৰি, শিল্পী, চাৰণ বা দাসীৰ ভাও ধৰি ইজনৰ পিছত সিজনকৈ চৰবিলাক দুৱাৰমুখলৈ (ৰাজদ্বাৰলৈ) আহি গীত, পাঠ, বাদ্যযন্ত্ৰৰ ভাণ্ডৰ ভিতৰত গোপনে লিখি ৰখা কথাৰ যোগে, নাইবা সঙ্কেতৰ যোগে গূঢ় বাৰ্তা বাহিৰলৈ প্ৰেৰণ কৰিব॥১৩॥ দীৰ্ঘ ৰোগ, উন্মাদ, অগ্নি-সংযোগ বা বিষ-প্ৰয়োগৰ আলম লৈ গোপনে বাহিৰ ওলাব॥১৪॥

তিনিজন গুপ্তচৰৰ প্ৰতিবেদন একে হ'লে বিশ্বাসযোগ্য হ'ব॥১৫॥ তেওঁবিলাকৰ বাৰে বাৰে স্খলন হ'লে গোপন দণ্ড দি তেওঁলোকক আঁতৰাব॥১৬॥

"কণ্টকশোধন" প্ৰকৰণত উল্লিখিত চোৰাংচোৱাবিলাকে গোপন খবৰ প্ৰেৰণ কৰিবৰ কাৰণে (শত্ৰুৰ) বেতন লৈ ইজনে সিজনে লগ নলগাকৈ শত্ৰুৰ গৃহত বসবাস কৰিব॥১৭॥ সেইসকল উভয় পক্ষৰ বেতনধাৰী॥১৮॥

পুত্ৰভাৰ্যাৰ (ভৰণ-পোষণৰ) দায়িত্ব গ্ৰহণ কৰি উভয় পক্ষৰ বেতনধাৰী-সকলক নিয়োগ কৰিব। শত্ৰুৱে প্ৰয়োগ কৰা এনে লোকসকলক জানি ৰাখিব। আৰু তেনে লোকৰ জৰিয়তেই (অৰ্থাৎ চৰসকলৰ যোগেই) তেওঁ-লোকৰ অকলুষতা নিৰ্ণয় কৰিব॥১৯॥

এনেদৰেই শত্ৰু, মিত্ৰ, মধ্যম আৰু উদাসীন ৰজাৰ লগত তথা তেওঁ-লোকৰ অষ্টাদশ উচ্চ পৰ্যায়ৰ অধিকাৰীৰ (বিষয়াৰ) ওপৰত চোৰাংচোৱা লগাই দিব॥২০॥

কুঁজা, বাওনা, নপুংসক, কলানিপুণা নাৰী, বোবা আৰু বিভিন্ন ম্লেচ্ছজাতীয় মানুহে তেওঁবিলাকৰ (ৰজাসকলৰ) ঘৰত থাকি চোৰাংচোৱা-ৰূপে কাম কৰিব॥২১॥

(চোৰাংচোৱাৰ) সংস্থা দুৰ্গৰক্ষিত নগৰত বণিকসকলে, দুৰ্গৰ আশে-পাশে সিদ্ধ তাপসসকলে, গাৱঁত খেতিয়ক আৰু উদাসীন সন্ন্যাসীসকলে আৰু সীমান্তত গোপালসকলে গঠন কৰিব॥২২॥

শত্ৰুৰ কাৰ্য-কলাপৰ ভু-ভা ল'বৰ কাৰণে বনত শীঘ্ৰে কাম কৰিব পৰা বৌদ্ধ সন্ন্যাসী আৰু আটৰিক আদি বনবাসীবিলাকৰ দ্বাৰা চোৰাংচোৱা-সম্প্ৰদায় গঠন কৰিব॥২৩॥

চলন্ত চোৰাংচোৱা বা তাৰ সংস্থা বা চোৰাংচোৱাৰ চিহ্ন ধাৰণ নকৰা চোৰাংচোৱা—এনেকুৱা একেজাতীয় নিজৰ চৰৰ দ্বাৰা শত্ৰুৰ এনে বিভিন্ন চৰবিলাকৰ কাৰ্য-কলাপ অৱগত হ'ব॥২৪॥

শত্ৰুচৰৰ কাৰ্য-কলাপ উদ্ঘাটন কৰিবৰ কাৰণে (অইনে) হাত কৰিব নোৱৰা, কিন্তু প্ৰৱোচিত কৰিব পৰা লোকৰ কাৰ্যৰ উদ্দেশ্যৰ দ্বাৰা প্ৰণোদিত বুলি প্ৰকাশিত মুখ্য বিষয়াসকলক সীমান্তত ৰাখিব॥২৫॥

কৌটিলীয় অৰ্থশাস্ত্ৰৰ "শিক্ষা-সম্পৰ্কীয়" নামৰ প্ৰথম অধিকৰণৰ অন্তৰ্গত "চলন্ত চৰৰ নিয়োগ; চোৰাংচোৱাৰ বিধি" নামৰ দ্বাদশ অধ্যায় সমাপ্ত।

ত্রয়োদশ অধ্যায়

নৱম প্রকৰণ : নিজ ৰাজ্যৰ ভেদযোগ্য আৰু অভেদ্যসকলৰ ওপৰত নজৰ

উচ্চ বিষয়াসকলৰ পিছত চোৰাংচোৱা লগাই দি নগৰ আৰু গাওঁবাসীৰ মাজতো চোৰাং-চোৱাৰ প্ৰয়োগ কৰিব ॥১॥

পৰস্পৰ বিৰোধিতা কৰি চোৰাংচোৱাবিলাকে তীৰ্থস্থান, সভা, সাম্প্ৰদায়িক গোষ্ঠী আৰু জনসমাগমত বিবাদ আৰম্ভ কৰিব ॥২॥ "এইজন ৰজা সকলো গুণসম্পন্ন বুলি শুনা গৈছে, কিন্তু এওঁ যে গাওঁ আৰু নগৰবাসীসকলৰ ওপৰত জৰীমনা আৰু কৰ লগাই উৎপীড়ন (আৰম্ভ) কৰিছে, এওঁৰ কোনো গুণেই প্ৰতিফলিত হোৱা নাই" ॥৩॥ আন এজনে এনেকৈ কোৱাজনৰ আৰু অন্যান্য প্ৰশংসাকাৰীসকলৰ কথাৰ প্ৰতিবাদ কৰিব ॥৪॥ (এওঁ কৱ)—"মাৎস্যন্যায়ৰ দ্বাৰা অভিভূত হৈ প্ৰজাসকলে বিবস্বানৰ পুত্ৰ মনুক ৰজা পাতিছিল ॥৫॥ এই ৰাজাই ষষ্ঠাংশ শস্য, এক দশমাংশ দ্ৰব্য আৰু ধন ৰজাৰ ভাগ বুলি তেওঁলোকে নিৰূপণ কৰিছিল ॥৬॥ তাৰেই ভৰণ-পোষণ প্ৰাপ্ত হৈ ৰজাই প্ৰজাৰ মঙ্গল আৰু নিৰাপত্তাৰ বিধান কৰিছিল ॥৭॥ দণ্ড আৰু কৰ পৰিশোধ নকৰা প্ৰজাই সেই (ৰজা)সকলৰ পাপ, আৰু মঙ্গল আৰু নিৰাপত্তা বিধান নকৰা ৰজাই প্ৰজাৰ পাপ আহৰণ কৰে ॥৮॥ সেই কাৰণে আৰণ্যক(মুনি)-সকলেও তেওঁলোকৰ উঞ্ছবৃত্তিৰে লাভ কৰা শস্যৰ এক ষষ্ঠাংশ (ৰজাক) প্ৰদান কৰে—যি আনৰ ৰক্ষণাবেক্ষণ প্ৰদান কৰে এই ভাগটো তেওঁৰ বুলি ॥৯॥ যং আৰু অনুগ্ৰহ প্ৰত্যক্ষ হোৱা ৰজাৰ পদৰ ইন্দ্ৰ আৰু যমৰ পদৰীৰ সদৃশ ॥১০॥ যিসকলে তেওঁলোকক অবমাননা কৰে তেওঁলোকক আনাক দৈৱ-দণ্ডয়ো স্পৰ্শ কৰে ॥১১॥ সেই কাৰণে ৰজাসকলক অবমাননা নকৰিব ॥১২॥ এইদৰে (কৈ) তেওঁ (চৰে) সাধাৰণ প্ৰজাক (ৰজাৰ বিৰুদ্ধাচৰণ কৰাৰপৰা) বিৰত ৰাখিব ॥১৩॥ আৰু উৰা বাৰ্তাৰৰ বিষয়েও খা-খবৰ ৰাখিব ॥১৪॥

যিসকলে এওঁৰ (ৰজাৰ) শস্য, পশু আৰু টকা-কড়ি দ্বাৰা জীৱন নিৰ্বাহ কৰে, নাইকিয়া বিপদ-সম্পদে এইবিলাক দি সহায় কৰে, বন্ধুক বা (মিত্ৰ) ৰাষ্ট্ৰক বিদ্ৰোহৰপৰা বিৰত কৰে অথবা শত্ৰু আটবিকক প্ৰতিৰোধ কৰে, মুণ্ডিত বা জটাধাৰী সন্ন্যাসীবেশী চোৰাংচোৱাৰ যোগে তেওঁলোকৰ সন্তুষ্টি-অসন্তুষ্টি নিৰ্ণয় কৰিব ॥১৫॥ সন্তুষ্টসকলক আকৌ টকাকড়ি আৰু সম্মান প্ৰদৰ্শন কৰি অনুগৃহীত কৰি ৰাখিব ॥১৬॥ অসন্তুষ্টসকলৰ তুষ্টি-সাধন কৰিব কাৰণে দান আৰু সামৰ যোগে অনুনয় কৰিব ॥১৭॥ নাইবা, এওঁ নাজৰ পৰস্পৰৰ মাজত ভেদ সাধন কৰিব আৰু সামন্ত, আটবিক, তেওঁৰ নিজকুলৰ (সিংহাসনৰ) নাৰী প্ৰতিষ্ঠাপক আৰু অনুগৃহীত ৰাজৰাজৰ লগতো (এওঁলোকৰ ভেদ সৃষ্টি কৰিব) ॥১৮॥ তেতিয়াও যদি সন্তুষ্ট নহয়, দণ্ড আৰু কৰ সংগ্ৰহ কৰা অধিকাৰত নিয়োগ কৰি দেশবাসীৰ অপ্ৰিয়ভাজন কৰিব ॥১৯॥ তেতিয়া তেওঁলোক (সমাজৰ) বিদ্বেষভাজন হ'ব, তেতিয়া তেওঁলোকক গোপন দণ্ডেৰে নাইবা দেশত বিদ্ৰোহ সৃষ্টি কৰি নিৰ্মূল কৰিব ॥২০॥ তেওঁলোকৰ পুত্ৰ-পৰিয়ালৰ ৰক্ষণাবেক্ষণ দি শত্ৰুৰ অভিসন্ধিৰ ভয়ৰ (হাত সাৰিবৰ) কাৰণে যুদ্ধি বা কৰ্মান্তত তেওঁলোকক নিযুক্ত কৰিব ॥২১॥

ক্ষুব্ধ, লুব্ধ, ভীত আৰু অভিমানীসকলক শত্ৰুৱে (সহজে) হাত কৰিব পাৰে ॥২২॥ দেৱজ্ঞ, ভবিষ্যদ্বক্তা, আৰু জ্যোতিৰীৰ ভাও দিয়া চোৰাংচোৱাবিলাকে তেওঁবিলাকৰ পৰস্পৰ সম্বন্ধ আৰু শত্ৰু আৰু আটবিকসকলৰ লগত (তেওঁলোকৰ) কি সম্বন্ধ তাৰ ওপৰত চকু

দিব॥২৩॥ "সন্তুষ্টসকলক" অর্থ আবু সম্মান প্রদান কবি সম্মানিত কবিব॥২৪॥ আবু অসন্তুষ্টসকলক সাম, দান, ভেদ আবু দণ্ডব যোগে আয়ত্ত কবিব ২৫॥

এনেদবেই বিচক্ষণ বজাই নিজব দেশব (সম্ভাব্য) ভেদযোগ্য আবু অভেদ্য লোকসকলক শত্রুব গুপ্ত প্রবোচনাবপবা বক্ষা কবিব, লাগিলে সেই-সকল মুখিয়াল লোকেই হওক বা সাধাবণ লোকেই হওক॥২৬॥

কৌটিলীয় অর্থশাস্ত্রব "শিক্ষা-সম্পর্কীয়" নামব প্রথম অধিকবণব অন্তর্গত "নিজ বাজ্যব ভেদযোগ্য আবু অভেদ্যসকলব ওপবত নজব বখা" নামব ত্রয়োদশ অধ্যায় সমাপ্ত।

চতুর্দশ অধ্যায়

দশম প্রকবণ : শত্রু-বাজ্যব ভেদযোগ্য আবু অভেদ্যসকলক হাত কবা

নিজব দেশব সহজে হাত কবিব পবাসকলক হাত কবাটো ব্যাখ্যাত হ'ল; শত্রুব দেশব তেনে মানুহক হাত কবাটো ব্যাখ্যা কবিব লাগে॥১॥

অর্থব প্রতিশ্রুতি দি যাক ঠগোৱা হৈছে তেনেজন, কোনো শিল্প বা সেৱাত সমান দক্ষ দুজনব ভিতবত অপমানিত হোৱাজন, (বজাব) প্রিয়জনব কাবণে বজাবপবা অনুগ্রহ নোপোৱাজন, (যুদ্ধলৈ) আহূত হৈ যি পবাজিত, প্রবাসত দুঃখপ্রাপ্তজন, ব্যয় কবিও উদ্দেশ্যত অকৃতকার্যজন, নিজব ধর্ম (কর্তব্য) আবু উত্তবাধিকাববপবা চ্যুতজন, সম্মান আবু অধিকাববপবা বঞ্চিতজন, নিজ কুলব মানুহব দ্বাবা বাধাপ্রাপ্ত লোক, যাব পত্নীব ওপবত বলাৎকাব কবা হৈছে তেনেজন, কাবাবুদ্ধজন, মকদ্দমাত পবাস্ত হৈ দণ্ডপ্রাপ্তজন, অসৎ আচবণ কবাবপবা যাক বিবত কবা হৈছে তেনে লোক, সকলো ধন-সম্পত্তি বাজেয়াপ্ত হোৱা-জন, কাবাগাবত ক্লেশপ্রাপ্তজন, আবু যাব জ্ঞাতিসকল দেশান্তবিত হৈছে তেনেজন— এইসকলেই ক্রুদ্ধ॥২॥

নিজে (কোনো লোকব) ব্যাঘাত সৃষ্টি কবা, অত্যন্ত কুকর্মত প্রবৃত্ত হোৱা, পাপ কর্মব দ্বাবা কুখ্যাত, একে দোষব শাস্তি দেখি উদ্বিগ্ন হোৱা, (অইনব) ভূমিগ্রহণকাবী, বলম দ্বাবা বশীভূত হোৱা, কোনো (চবকাবী) বিভাগত কাম কবি হঠাতে ধন সঞ্চয় কবা, নিজব কুলব (সিংহাসনব) দাবীব প্রতিষ্ঠাপকব আশ্রিত, বজাব দ্বাবা বিগর্হিত আবু বজাব দ্রোহ আচবণকাবী—এই সকলো মানুহেই ভীতবর্গ॥৩॥

আর্থিক অবস্থা ক্ষীণ হোৱা (দুখীয়া), অইনে যাব সম্পত্তি গ্রহণ কবিছে তেনে লোক, কৃপণ, বিপদগ্রস্ত আবু তল ওপব নাচাই ব্যবসায়ত প্রবৃত্ত হোৱা লোক—এনেসকলেই লুব্ধবর্গ॥৪॥

আত্মগর্বেবে গর্বিত, সম্মানকামী, শত্রুক সম্মান কবিলে ক্রোধান্বিত হোৱা, নীচ পদবীত স্থিত, উগ্র প্রকৃতিব, হিংসাত প্রবৃত্ত, পোৱা বেতনত অসন্তুষ্ট—এইসকল লোকেই মানিবর্গ॥৫॥

তাব ভিতবত ভেদযোগ্য দলব প্রত্যেকজনকে মুণ্ডিত বা জটাধাৰী সন্ন্যাসীবেশী গুপ্ত-চবসকলব বিজনব প্রতি যাব ভক্তি আছে তেওঁব যোগে গুপ্ত-প্রবোচনা দিব॥৬॥

'যেনেকৈ মাতাল মাউতেবে অধিষ্ঠিত মদমত্ত হাতীয়ে বিহুকে পায় তাকে ধ্বংস কবে,

তেনেকৈয়ে শাস্ত্র-জ্ঞান নথকা এই অন্ধ বজা নগৰ আৰু গাওঁবাসী সকলক বধ কৰিবৰ কাৰণে উদ্যত হৈছে; এওঁৰ বিৰোধী হাতীক উদগনি দি এওঁৰ অপকাৰ কৰিব পৰা যায়; আপোনা-লোকৰ ক্ৰোধ প্ৰকাশ কৰক'—এইদৰে ক্ষুব্ধবৰ্গক প্ৰবোচিত কৰিব॥৭॥

'যেনেকৈ লুকাই থকা সাপে যতে ভয় পায় তাতে বিষ উদ্গাৰ কৰে, তেনেকৈয়ে এই বজাই আপোনাৰপৰা অপকাৰৰ শঙ্কা কৰি অতি সোনকালে আপোনাৰ প্ৰতি ক্ৰোধৰূপ বিষ উদ্গীৰণ কৰিব; অন্য ঠাইলৈ যাওক'—এই বুলি ভীতবৰ্গক প্ৰবোচিত কৰিব॥৮॥

'যেনেকৈ চিকাৰীৰ গাই কুকুৰৰ কাৰণেহে খীৱায়, ব্ৰাহ্মণসকলৰ কাৰণে নিখীৱায়, তেনেকৈয়ে সত্ত্ব, প্ৰজ্ঞা আৰু বাগ্মিতাহীনসকলৰ কাৰণে এই বজাই (ৰাজ্য) দোহন কৰিছে, আত্মগুণসম্পন্নসকলৰ কাৰণে নহয়; সেইজন বজাই (কিন্তু) বিশিষ্ট লোকক (সন্মান কৰিব) জানে, তালৈ যাওক'—এই বুলি লুব্ধবৰ্গক প্ৰবোচিত কৰিব॥৯॥

'যেনেকৈ চণ্ডালৰ কুৱা চণ্ডালৰহে ব্যৱহাৰ্য, অন্য লোকৰ নহয়, তেনেকৈয়ে এই নীচ বজা নীচসকলৰহে উপকাৰত আহিব, আপোনালোকৰ নিচিনা শিষ্টাচাৰসম্পন্নসকলৰ উপকাৰত নাহে; সিজন বজাই কিন্তু পুৰুষৰ বিশেষত্ব জানে, তালৈকে (তেওঁৰ ৰাজ্যলৈকে) যাওক'—এই বুলি মানিবৰ্গক প্ৰবোচিত কৰিব॥১০॥

"সেইটো হ'ব" বুলি কৈ যেতিয়া তেওঁলোকে সম্মতি জ্ঞাপন কৰি আৰু পণ কৰি মিত্ৰ হ'ব, তেতিয়া সামৰ্থ্য (যোগ্যতা) অনুসৰি তেওঁলোকক নিজ কৰ্মত নিয়োগ কৰিব আৰু (নিৰীক্ষণ কৰিবৰ কাৰণে) তেওঁলোকৰ পিছত চোৰাংচোৰা ৰাখিব॥১১॥

আৰু শত্ৰুৰ দোষবিলাক উল্লেখ কৰি শত্ৰুৰ দেশৰ ভেদযোগ্যসকলক সাম আৰু দানেৰে হাত কৰিব; অভেদ্যসকলক ভেদ আৰু দণ্ডনীতিৰে হাত কৰিব॥১২॥

কৌটিলীয় অৰ্থ-শাস্ত্ৰৰ "শিক্ষা-সম্পৰ্কীয়" নামৰ প্ৰথম অধিকৰণৰ অন্তৰ্গত "শত্ৰু-ৰাজ্যৰ ভেদযোগ্য-সকলক হাত কৰা" নামৰ চতুৰ্দশ অধ্যায় সমাপ্ত।

পঞ্চদশ অধ্যায়

একাদশ প্ৰকৰণ : মন্ত্ৰ-প্ৰকৰণ

নিজ পক্ষ আৰু শত্ৰু-পক্ষৰ আনুগত্য সম্বন্ধে নিশ্চিত হোৱাৰ পিছত কৰ্মাৰম্ভৰ বিষয়ে চিন্তা কৰিব॥১॥

সকলো কৰ্মাৰম্ভ মন্ত্ৰণাপূৰ্বক হয়॥২॥ ইয়াৰ (মন্ত্ৰণাৰ) স্থান গোপন হ'ব লাগে যাতে কথাবিলাক বাহিৰ ওলাই নাযায়, আনকি চৰায়েও যেন (ইয়াক) দেখা নাপায়॥৩॥ কাৰণ শুনা যায় যে ভাটো, মইনা আদিয়ে আৰু কুকুৰ আৰু অন্য জন্তুৰে মন্ত্ৰণাৰ ভেদ ভাঙে॥৪॥ সেই কাৰণে মন্ত্ৰণাৰ স্থানৰ ওচৰলৈ নিযুক্ত নোহোৱা কোনো মানুহেই যাব নালাগে॥৫॥ মন্ত্ৰভেদকাৰীক নিৰ্মূল কৰিব লাগে॥৬॥

ৰাজা, অমাত্য আৰু বজাৰ ইঙ্গিত আৰু আকাৰৰ দ্বাৰা মন্ত্ৰণা ভেদ হয়॥৭॥ অব্যভাৰিক

ব্যৱহাৰেই ইংগিত॥৮॥ (পৃথক্) আকৃতি গ্ৰহণেই আকাৰ॥৯॥ কাৰ্যৰ (সমাপ্তিৰ) কাল পাৰ হৈ নোযোৱা পৰ্যন্ত ইয়াক (মন্ত্ৰণা) গোপনে ৰাখিব লাগে আৰু আয়ুক্ত পুৰুষৰ ওপৰত নজৰ ৰাখিব লাগে॥১০॥ কাৰণ তেওঁলোকৰ অসাৱধান আলাপে, মাতাল আৰু সুপ্ত অৱস্থাৰ প্ৰলাপে আৰু কামাসক্তি আদি অমিতাচাৰে নাইবা ছদ্মবেশী বা অপমানিত লোকে মন্ত্ৰণাৰ ৰহস্য প্ৰকাশ কৰে॥১১॥ সেই কাৰণে তেওঁ (ৰজাই) মন্ত্ৰণাৰ গোপনীয়তা ৰক্ষা কৰিব লাগে॥১২॥

গোপন মন্ত্ৰণা প্ৰকাশ হোৱাটো ৰজা আৰু তেওঁৰ বিষয়াসকলৰ নিৰাপত্তা আৰু কল্যাণৰ পৰিপন্থী॥১৩॥ "সেই কাৰণে গোপনীয় বিষয়ে তেওঁ (ৰজাই) অকলে মন্ত্ৰণা কৰিব"—এই বুলি ভাৰদ্বাজে কয়॥১৪॥ "কাৰণ মন্ত্ৰীবো (অন্য) মন্ত্ৰী থাকে; তেওঁবিলাকৰো আৰু অন্য মন্ত্ৰী থাকিব পাৰে"॥১৫॥ আৰু এই মন্ত্ৰী-পৰম্পৰাই মন্ত্ৰৰ ভেদ ভাঙে॥১৬॥

"সেইকাৰণে এওঁ কৰিব খোজা কামৰ বিষয়ে আনে উমান পাব নালাগে। আৰম্ভ কৰিলে বা শেষ হ'লেহে উদ্যোক্তাসকলে ইয়াৰ গম পাব লাগে"॥১৭॥

"এজনৰ মন্ত্ৰণা সিদ্ধ নহয়"—এই বুলি বিশালাক্ষই কয়॥১৮॥ "কাৰণ ৰাজকৰ্ম (তিনি প্ৰকাৰৰ)—প্ৰত্যক্ষ, পৰোক্ষ আৰু অনুমেয়॥১৯॥ নজনা কথাৰ সম্ভেদ লোৱা, জনা কথাৰ দৃঢ়তা প্ৰতিপাদন, বিকল্প অৰ্থৰ সংশয় ছেদ, আংশিকভাৱে জনা কথাৰ পুৰাপুৰি জ্ঞান—এই সকলোবোৰ মন্ত্ৰীৰ সহায়তহে সাধন হয়॥২০॥ সেই কাৰণে পৰিপক্ক বুদ্ধিৰ মানুহেৰে সৈতে মন্ত্ৰণা কৰিব"॥২১॥

"কাকো অৱমাননা নকৰিব, সকলোৰে মতলৈ কাণ দিব। পণ্ডিতজনে বাক্যকবো তত্ত্বপূৰ্ণ বাক্যৰ সম্ব্যৱহাৰ কৰে"॥২২॥

"ই মন্ত্ৰ সম্বন্ধে জ্ঞানহে, মন্ত্ৰৰ (গোপনীয়তা) ৰক্ষণ নহয়"—এই বুলি পৰাশৰ-সম্প্ৰদায়ে কয়॥২৩॥ এওঁ যি কাৰ্য (কৰিবলৈ) বাঞ্ছা কৰিছে তাৰ অনুৰূপ কাৰ্যৰ কথা মন্ত্ৰীসকলক সুধিব—"এই কামটো এনে ধৰণৰ আছিল, (এতিয়া) যদি এনেকুৱা হয়, তাক কেনেকৈ কৰিব লাগিব?"॥২৪॥ "তেওঁবিলাকে যেনেকৈ ক'ব তাক তেনেকৈ কৰিব॥২৫॥ এনেকৈ মন্ত্ৰৰ উপলব্ধি আৰু গোপনীয়তা ৰক্ষা (দুয়োটা) হ'ব"॥২৬॥

পিশুনে কয়—"সেইটো নহয়॥২৭॥ সংঘটিত বা অসংঘটিত কোনো দূৰৱৰ্তী বিষয় সম্বন্ধে সুধিলে মন্ত্ৰীসকলে অনাদৰ সহকাৰে উত্তৰ দিয়ে বা (কথাটো) প্ৰকাশ কৰে॥২৮॥ ই এটা দোষ॥২৯॥ সেই কাৰণে যি কৰ্মত যি পাকৈত সেই কৰ্মত সেই জনৰ লগত আলোচনা কৰিব॥৩০॥ তেওঁলোকৰ লগত মন্ত্ৰণা কৰিলে মন্ত্ৰণা ফলবতীও হ'ব আৰু ইয়াৰ গোপনীয়তাও ৰক্ষিত হ'ব"॥৩১॥

কৌটিল্যই কয়—"সেইটো নহয়"॥৩২॥ কাৰণ ই এটা অস্থিৰ অৱস্থা হ'ব॥৩৩॥ মন্ত্ৰী-সকলৰ তিনিজন বা চাৰিজনৰ লগত মন্ত্ৰণা কৰিব॥৩৪॥ (কাৰণ) এজনৰ লগত পৰামৰ্শ কৰিলে গহীন বিষয়বোৰত কোনো সিদ্ধান্তলৈ আহিব নোৱাৰিব॥৩৫॥ আৰু মন্ত্ৰী এজন হ'লে, তেওঁৰ ব্যৱহাৰ স্বেচ্ছাচাৰিতাপূৰ্ণ হ'ব॥৩৬॥ দুজনৰ লগত পৰামৰ্শ কৰিলে, তেওঁবিলাক দুজন এক হ'লে তেওঁক ফান্দত পেলাব; আৰু যদি এক নহে কন্দল কৰে, (ৰজাৰ) বিনাশ হ'ব॥৩৭॥ ই (এইবিলাক কথা) তিনিজন বা চাৰিজনৰ (মন্ত্ৰীৰ) ক্ষেত্ৰত কথমপিহে সম্ভৱ হ'ব পাৰে॥৩৮॥ আৰু যদি কেনেবাকৈ সম্ভৱ হয়, ই এটা মহা বিপদৰ কথা হ'ব॥৩৯॥ আৰু

Scanned with CamScanner

ইয়াতকৈ (তিনি বা চাবিজনতকৈ) বেছি হ'লে বব কণ্টেবেহে কোনো সিদ্ধান্তত উপনীত হ'ব পাবি নাইবা মন্ত্রণাব গোপনীয়তা বক্ষা কবিব পাবি॥৪০॥ স্থান, কাল আৰু কার্যব উপযুক্ততা চাই সামর্থ্য অনুসাবি এজন বা দুজনব লগত নাইবা অকলে নিজে নিজে মন্ত্রণা কবিব॥৪১॥

কর্মাবম্ভব উপায়, পুৰুষ আৰু দ্রব্য-সম্পত্তি, স্থান আৰু কালব বিভাগ, দুর্দৈবৰ প্রতিকাব, কার্য-নিষ্পাদন—মন্ত্রণাব এই পাঁচোটা অঙ্গ॥৪২॥

তেওঁবিলাকক ব্যক্তিগতভাৱে বা সমষ্টিগতভাৱে সেইবিলাকব এটা এটাব বা আটাইকেইটাব বিষয়ে সুধিব (আলোচনা কবিব)॥৪৩॥ আৰু এওঁবিলাকব মতব পার্থক্যবোৰ যুক্তি সহকাৰে বুজি লব॥৪৪॥ (মন্ত্রণাব) বিষয় আহি পৰিলে সময় অতিক্রম নকবিব॥৪৫॥ বব বেছি সময়ব কাবণে মন্ত্রণা কবি নাথাকিব; যাব অপকাব কবিব খোজে তেওঁৰ পক্ষব মানুহৰ লগতো মন্ত্রণা নকবিব"॥৪৬॥

"বাবজন অমাত্যেৰে মন্ত্রীসভা গঠন কবিব"—এই বুলি মনু-সম্প্রদায়ে কয়॥৪৭॥ "বোল-জনেৰে"—এই বুলি বৃহস্পতিব শিষ্যসকলে কয়॥৪৮॥ "বিশ জনেৰে"—এই বুলি উশনৰ মতবাদীসকলে কয়॥৪৯॥ "সামর্থ্য অনুসাবি"—এয়ে কৌটিল্যব মত॥৫০॥

তেওঁবিলাকে এওঁৰ (বজাব) স্বপক্ষ আৰু শত্রু-পক্ষব বিষয়ে চিন্তা কবিব॥৫১॥ তেওঁবিলাকে কার্যবিলাকব নকবাবিলাক আবম্ভ কবিব, আবম্ভ কবাবিলাক সিদ্ধ কবিব, সিদ্ধ কবাবিলাকত বিশিষ্টতা প্রদ কবিব, আৰু আদেশ (পালনত) উৎকৃষ্টতা বিধান কবিব॥৫২॥

বিসকল উপস্থিত থাকে তেওঁলোকৰে সৈতে কর্মবিলাক নিবীক্ষণ কবিব॥৫৩॥ উপস্থিত নথকাসকলব লগত পত্র পঠিয়াই মন্ত্রণা কবিব॥৫৪॥

এইদৰে ঋষিবে ইন্দ্রব মন্ত্রীপবিষদ গঠিত হৈছিল॥৫৫॥ ইয়েই (এই পৰিকল্পনেই) ইন্দ্রৰ চক্ষু (যেন) আছিল॥৫৬॥ সেই কাবণেই দ্বি-অক্ষিযুক্ত হলেও এওঁক সহস্রাক্ষ বোলা হৈছিল॥৫৭॥

জৰুৰী কার্য হ'লে মন্ত্রীসকলক মাতি আৰু মন্ত্রীপবিষদ আহ্বান কবি আলোচনা কবিব॥৫৮॥ তাত গবিষ্ঠসংখ্যকে যিটো পবামর্শ দিব বা যিটো কার্যসিদ্ধিৰ বুলি প্রতিভাত হ'ব তাকে কবিব॥৫৯॥

আৰু সেইটো কৰোঁতে—

এওঁৰ গোপনীয় কথা শত্রুৱে জানিব নালাগিব; কিন্তু শত্রুব দুর্বলতা এওঁ জানি বাখিব। যদি নিজব (মন্ত্রণাব) কোনো অঙ্গ প্রকাশ পায়, তাক কাছই (শবীবব) অঙ্গ লুকোৱাব নিচিনাকৈ লুকাই পেলাব॥৬০॥

যেনেকৈ সন্তসকলব শ্রাদ্ধান্ন ভোজন কবিবৰ কাবণে অবেদজ্ঞ লোকৰ অর্হতা নাই, তেনেকৈয়ে নীতিশাস্ত্রত শিক্ষা নোপোৱা (বজা) জনৰো মন্ত্রণা শুনিবৰ কাবণে যোগ্যতা নাথাকে॥৬১॥

কৌটিলীয় অর্থশাস্ত্রব "শিক্ষা-সম্পর্কীয়" নামৰ প্রথম অধিকৰণৰ অন্তর্গত "সপ্ত-প্রকৃতি" নামৰ পঞ্চম অধ্যায় সমাপ্ত।

Scanned with CamScanner

ষোড়শ অধ্যায়

দ্বাদশ প্রকৰণ : দূতৰ আচৰণ-বিধি

মন্ত্রণাৰ দ্বাৰা সিদ্ধান্তলৈ অহাৰ পিছত দূত নিয়োগ কৰিব॥১॥

অমাত্যৰ গুণেৰে বিভূষিতজন পূৰ্ণ কৰ্তৃত্বসম্পন্ন ৰাজদূত॥২॥ তাৰ এক-চতুৰ্থাংশ গুণত হীনজন হৈছে সীমিত নিয়োগৰ ৰাজদূত॥৩॥ অৰ্ধগুণহীনজন হৈছে (মাত্ৰ) বাৰ্তাবাহী॥৪॥

যান, বাহন আৰু অনুচৰবৰ্গৰ সুবিধান কৰি তেওঁ প্ৰস্থান কৰিব॥৫॥ "শত্রুক ৰজাৰ আদেশ এনেকৈ শুনাব লাগিব, (সম্ভৱতঃ) তেওঁৰ (শত্রুৰ) প্ৰত্যুত্তৰ এনেকুৱা হ'ব, এনেকৈ প্ৰতাৰণা কৰিব লাগিব"—এনেকৈ ভাবি ভাবি তেওঁ প্ৰস্থান কৰিব॥৬॥ আৰু তেওঁ (ৰাটত) আটবিক, সীমান্তৰক্ষী আৰু নগৰ আৰু গাঁৱৰ মুখিয়ালসকলৰ সংস্পৰ্শলৈ আহিব॥৭॥ আৰু নিজৰ আৰু শত্রুপক্ষৰ সৈন্য ৰাখিবৰ কাৰণে উপযুক্ত ঠাই, যুদ্ধৰ উপযুক্ত ক্ষেত্ৰ, সংৰক্ষিত সৈন্যবাহিনী ৰখা ঠাই আৰু পশ্চাদপসৰণৰ উপযুক্ত ঠাই লক্ষ্য কৰিব॥৮॥ তেওঁ (শত্রুৰ) দুৰ্গ আৰু ৰাষ্ট্ৰৰ আয়তন, বলাবল, জীৱিকাৰ উপায়, প্ৰতিৰক্ষা আৰু দুৰ্বলতাবোৰ বুজ লৱ॥৯॥

অনুমতি লৈহে শত্রুৰ ৰাসগৃহত প্ৰৱেশ কৰিব ১০॥ প্ৰাণৰ সংশয় থাকিলেও ৰাজ-আদেশ যেনেকৈ দিয়া হৈছে তেনেকৈয়ে শুনাব॥১১॥

তেওঁৰ (শত্রু-ৰজাৰ) কথাত, মুখত আৰু চকুত প্ৰসন্নতা, তেওঁৰ কথাৰ প্ৰতি সম্মান, তেওঁৰ ইচ্ছাৰ (বাঞ্ছিত বস্তুৰ) অনুসন্ধান, (তেওঁৰ প্ৰভুৰ) সদ্‌গুণৰ কথাৰ প্ৰতি আকৰ্ষণ, ওচৰত বহিবলৈ আসন প্ৰদান, সম্মানপূৰ্বক অভ্যৰ্থনা, উৎসৱ আদিত (দূতৰ লগত পূৰ্বে) মিলনৰ স্মৰণ আৰু তেওঁৰ ওপৰত বিশ্বাস স্থাপন লক্ষ্য কৰিলে তেওঁৰ সন্তুষ্টিৰ লক্ষণ বুলি বুজিব; ইয়াৰ ওলোটা হ'লে অসন্তুষ্ট হোৱা বুলি বুজিব॥১২॥ এনেজনক কব—"দূতে কোৱা কথা ৰজাৰ মুখৰেই কথা; আন ৰজাৰ দৰে আপোনাৰ ক্ষেত্ৰতো সেই একেই কথা॥১৩॥ সেই কাৰণে মাৰিব খুজিলেও দূতসকলে (ৰজাৰ) বাণী হুবহু দাঙি ধৰে॥১৪॥ তেওঁবিলাকৰ অতি নীহকুলীয়াজনো অবধ্য, ব্ৰাহ্মণ হ'লেতো কথাই নাই॥১৫॥ ই লোকে কোৱা কথা॥১৬॥ এয়ে দূতৰ ধৰ্ম" ॥১৭॥

যাঁ বিদায়ৰ অনুমতি নিদিয়ে, (প্ৰদৰ্শিত) সম্মানৰ কাৰণে গৰ্ব নকৰি থাকি যাব॥১৮॥ শত্রুৰ মাজত (নিজক) শক্তিশালী বুলি নাভাবিব॥১৯॥ ৰেয়া লগা কথা সহ্য কৰিব॥২০॥ স্ত্ৰী আৰু মদ্যপান বৰ্জন কৰিব॥২১॥ অকলে শুব॥২২॥ (কাৰণ) শুই থকা আৰু মাতাল অৱস্থাত মানুহৰ ভাৱৰ আভাস ধৰা পৰে॥২৩॥

ভেদযোগ্য পক্ষৰ প্ৰৱোচনা, অভেদ্য পক্ষৰ পিছত গুপ্তচৰৰ নিয়োগ, (শত্রু) ৰজাৰ প্ৰতি (প্ৰজাৰ) অনুৰাগ আৰু বিৰাগ, প্ৰকৃতিবৰ্গৰ দুৰ্বলতা উপস্থী আৰু বেপাৰীবেশী চোৰাং-চোৰাৰ যোগে নিৰ্ণয় কৰিব; নহ'লে তেওঁলোকৰ উপজীৱী অথবা চিকিৎসক বা ভিক্ষুবেশী চোৰাংচোৰা নাইবা উভয়েৰে বেলেনভোগী চোৰাংচোৰাৰ যোগে (নিৰ্ণয় কৰিব)॥২৪॥ যদি তেওঁলোকৰ লগত আলাপ কৰা সম্ভৱ নহয়, তেতিয়া খোজনীয়া, মতলীয়া, বলিয়া আৰু সুহৃজনৰ উক্তিবপৰা নাইবা তীৰ্থস্থান আৰু মন্দিৰৰ ছবি, লিখা কথা আৰু চিনৰোৱৰ যোগেৰে গোপন খবৰ সংগ্ৰহ কৰিব॥২৫॥ (এনে খবৰ) সংগৃহীত হোৱাৰ পিছত গুপ্ত প্ৰৱোচনা প্ৰয়োগ কৰিব॥২৬॥

Scanned with CamScanner

শত্রুৱে সুধিলে নিজ পক্ষৱ প্রকৃতিৱ বল আৰু বিস্তৃতিৱ কথা নকৱ॥২৭॥ "মহাৰাজে সকলো জানে"—এই বুলি কৱ, নহ'লে কার্যসিদ্ধিৱ উপযুক্ত কিবা এটা কৱ॥২৮॥

কার্যসিদ্ধি নোহোৱা অৱস্থাত যদি আটক হৈ থাকিব লগীয়া হয়, তেতিয়া হ'লে এনেকৈ চিন্তা কৰিব—"মোৱ প্রভুৱ আসন্ন বিপদ দেখি, নিজৱ বিপদৱ প্রতিকাৱ কৰিবৱ কাৱণে, পৃষ্ঠ-শত্রুক অথবা (তেওঁৱ) মিত্রক মোৱ প্রভুৱ বিৰুদ্ধে থিয় কৰাবলৈ, আভ্যন্তৰীণ বিদ্রোহ সৃষ্টি কৰিবলৈ আটৱিকক (মোৱ প্রভুৱ বিৰুদ্ধে) থিয় কৰিবৱ কাৱণে, (মোৱ প্রভুৱ) মিত্রক বা পৃষ্ঠ-মিত্রক বাধা দিবলৈ ইচ্ছা কৰি, নিজে শত্রুৱ লগত কৰা যুদ্ধৱ, বা আভ্যন্তৰীণ বিদ্রোহৱ বা আটৱিকৱ বিৰুদ্ধে প্রতিকাৱ-ব্যৱস্থা গ্রহণ কৰিবৱ নিমিত্তে, সম্পূর্ণ প্রস্তুত হৈ ওলোৱা মোৱ প্রভুৱ যুদ্ধ-যাত্রাৱ কাল নষ্ট কৰিবৱ কাৱণে, খোৱা-বস্তু, বেপাৱৱ বস্তু, বন্য-সম্পদ গোটাবৱ কাৱণে বা দুৰ্গ-নির্মাণ আৰু সৈন্য-সংগ্রহ কৰিবৱ কাৱণে, নিজৱ সৈন্যৱ কুচ-কাৱাজৱ কাৱণে (উপযুক্ত) স্থান আৰু কাললৈ বাট চাই, অৱজ্ঞা বা ভ্রান্তিৱ কাৱণে, নে (মোৱ স্বামীৱ লগত) নিবিড় সম্বন্ধ স্থাপন কৰিবৱ ইচ্ছাৱে মোক আটক কৰিছে?"॥২৯॥ (শত্রুৱ উদ্দেশ্য) বুজি লৈ থাকি যাব, নাইবা পলাব॥৩০॥ নাইবা, ইষ্ট প্রয়োজন কিবা আছেনে নাই চাই লব॥৩১॥

কোনো অপ্রীতিজনক বাজশাসন শুনোৱাৱ পিছত কাৱাবুদ্ধ কৰা বা হত্যা কৰাৱ ভয় থাকিলে বিদায় নিদিলেও পলাই যাব; নহ'লে তেওঁক আটক কৰি ৰাখিব পাৰে॥৩২॥

বার্তা প্রেৰণ, সন্ধিৱ চর্ত পালন, (বজাব) গৌৰৱ ৰক্ষণ, মিত্রসংগ্রহ, গুপ্ত প্রযোচনা, মিত্রৱ মাজত বিভেদ সৃষ্টি আৰু (শত্রুৱ বাজ্যলৈ) চোৱাং-চোৱা আৰু সৈন্য লৈ যোৱা॥৩৩॥

শত্রুৱ মিত্র আৰু বন্ধু অপহৰণ, গোপন খবৱ সংগ্রহ, বন্ধক থোৱাজনৱ মুক্তিৱ কাৱণে (নিজ) পৰাক্রম প্রদর্শন আৰু তন্ত্র-মন্ত্রৱ প্রৱর্তন—এইবোৰেই দূতৱ কর্ম॥৩৪॥

এই সকলোবিলাক তেওঁ দূতৱ হতুৱাই সম্পাদিত কৰাব: প্রতিদূত আৰু চোৱাংচোৱা তথা প্রকাশ্য আৰু গোপন ৰক্ষীৱ সহায়ত শত্রু-দূতৱ ওপৰত সতর্ক দৃষ্টি ৰাখিব॥৩৫॥

কৌটিলীয় অর্থশাস্ত্রৱ "শিক্ষা-সম্পর্কীয়" নামৱ প্রথম অধিকৰণৰ অন্তর্গত "দূতৱ আচৰণ-বিধি" নামৱ ষোড়শ অধ্যায় সমাপ্ত।

সপ্তদশ অধ্যায়

ত্রয়োদশ প্রকৰণ : যুৱৰাজৱ প্রতি সতর্কতা-অৱলম্বন

গাতে লাগ থকা মানুহ আৰু শত্রুৱপৰা নিজে ৰক্ষিত হ'লেহে—তাৰো আগতে তিৰোতা আৰু পুত্রৱপৰা নিজে নিৰাপদ হলেহে—ৰজাই ৰাজ্য ৰক্ষা কৰিব পাৰে॥১॥ তিৰোতাৱপৰা ৰক্ষণ সম্বন্ধে আমি "(ৰাজ)প্রাসাদৰাসীসকলৱ আচৰণ-বিধি" (১।২০) প্রকৰণত আলোচনা কৰিম॥২॥

পুত্রৱপৰা ৰক্ষণ সম্বন্ধে—॥৩॥

Scanned with CamScanner

"জন্মবপবাই বাজপুত্রব বিবুদ্ধে সতর্কতা লোৱা উচিত॥৩॥ যুৱবাজসকলে জন্মদাতা (পিতাক) ভক্ষণ-কবে, কাবণ এওঁলোক কেঁকোবাবে সৈতে একে ব্যৱহাবব॥৫॥ "তেওঁবিলাকব প্রতি পিতৃব স্নেহ নৌহওঁতেই গোপন দণ্ড শ্রেয়ঃ"—এই বুলি ভাবদ্বাজে কয় (তেওঁবিলাকব পিতৃব প্রতি স্নেহ নাজাগিলে—এই অর্থও সম্ভব।)॥৬॥

বিশালাক্ষই কয়—"নিবীহক বধ কবাটো নিষ্ঠুব কথা আৰু ই ক্ষত্রিয়-কুলব বিনাশক॥৭॥ সেই কাবণে এঠাইত অৱবোধ (আটক) কবি বখাটোৱেই ভাল"॥৮॥

"এইটো সাপৰপবা পোৱা ভয় যেন"—এই বুলি পবাশব-সম্প্রদায়ে কয়॥৯॥ "কাবণ (মোব) পবাক্রমক ভয় কবি পিতাই মোক অৱবোধ কবিছে"—এই বুলি বুজি কুমাবে তেওঁকেই পবাভূত কবিব॥১০॥ সেই কাবণে সীমান্তব দুর্গত বখাই ভাল"॥১১॥

পিশুনে কয়—"ই (যুজাৰু) ভেবা[১]বপবা উদ্ভব হোৱা ভয়ব সদৃশ॥১২॥ কাবণ, সেইটোকে পুনঃপ্রতিষ্ঠাব উপায় বুলি বুজি সীমান্তপালব বন্ধু হৈ পবিব॥১৩॥ সেই কাবণে নিজব দেশবপবা আঁতবত থকা সামন্ত বজাব দুর্গত বাস কবোৱাটোৱেই শ্রেয়ঃ"॥১৪॥

"তেতিয়া এওঁ গবুৰ দামুবিব নিচিনা হ'ব"—এই বুলি কৌণপদন্তই কয়॥১৫॥ "কাবণ, দামুবিব সহায়ত গাই খাঁবোৱাব নিচিনাকৈ সামন্ত বজাই এওঁক (যুৱবাজক) লৈ পিতাকক খাঁবাব॥১৬॥ সেই কাবণে মাতুল বংশত বখাটোৱেই ভাল"॥১৭॥

বাতব্যাধিয়ে কয়—"ইয়াত যুৱবাজজনব স্থান পতাকাব নিচিনা হয়॥১৮॥ কাবণ তেওঁক ধ্বজবূপে লৈ আদিতিকৌশিক[২]ব নিচিনাকৈ মাতৃফৈদব মানুহে ভিক্ষা খুজি থাকিব॥১৯॥ সেই কাবণে তেওঁ (বজাই) এওঁক (যুৱবাজক) নীচ আমোদ-প্রমোদত লিপ্ত বাখিব॥২০॥ কাবণ, বিলাসত মজি থকা পুত্রই পিতৃব বিবুদ্ধাচবণ নকবে"॥২১॥

কৌটিল্যই কয়—"এইটো জীৱন্ত মৃত্যু"॥২২॥ কাবণ, যি বাজবংশত ঘুণে ধবা কাঠব দবে উপযুক্ত শিক্ষা নোপোৱা বাজপুত্র থাকে, সি আক্রমণ কবাব লগে লগেই ধ্বংসপ্রাপ্ত হয়॥২৩॥ সেই কাবণে মহিষী ঋতুমতী হোৱাব লগে লগে ঋত্বিকসকলে ইন্দ্র আৰু বৃহস্পতিলৈ চৰু[৩] অর্পণ কবিব॥২৪॥ আৰু গর্ভধাবণ কবিলে শিশু-বিশেষজ্ঞসকলে গর্ভপোষণ আৰু প্রসৱব কাবণে বিশেষ যত্ন লব॥২৫॥ জন্মব পিছত পুবোহিতে পুত্রব সংস্কাব সকলোখিনি কবিব॥২৬॥ শিক্ষাবিদসকলে শিক্ষাযোগ্য হ'লে তেওঁক শিক্ষাপ্রদান কবিব॥২৭॥

সত্রীসকলব (চোবাংচোৱাসকলব) এজনে এওঁক চিকাব, জুৱা, মদ আৰু মাইকী মানুহেবে প্রলোভন দি ক'ব—'পিতাবাক আক্রমণ কবি বাজ্য দখল কবা'॥২৮॥ অন্য এজন সত্রীয়ে তেওঁক মানা কবিব"—এই বুলি [illegible]ম্ভিব শিষ্যসকলে কয়॥২৯॥

কৌটিল্যই কয়—"অজ্ঞজনক শিকাই দিয়া অতি বিপদজনক"॥৩০॥ কাবণ, নতুন বস্তুবে (পাত্রই) তাব গাত যি বস্তুকে লেপি দিয়া হয় তাকে শুহি লয়॥৩১॥ তেনেকৈয়ে, কোৱা কথা

---

[১] ভেবাৰপবা উদ্ভব হোৱা ভয় : এটা ভেবাই আন এটা ভেবাব লগত যুজ কবিবলৈ হ'লে প্রথমে দুবলৈ গৈ তাবপবা চোচা লৈ সজোৰে আক্রমণ কবে। বাজপুত্রয়ো অন্তপালব [illegible]িত্রতা কবি অধিক শক্তিশালী হৈ পিতৃক আক্রমণ কবিব পাবে।

[২] আদিতিকৌশিক : টীকাকাবসকলব মতে অদিতিব অর্থ হৈছে দেৱতাব বিগ্রহ আগত লৈ ভিক্ষা কবা ভিখাবী আৰু কৌশিক হৈছে সাপ নচুৱাই জীৱিকা চলোৱা লোক। অধ্যাপক কাংলেব মতে অদিতিকৌশিকে এটা অর্থকে প্রকাশ কবিব পাবে আৰু সেইটো হৈছে এটা ভিক্ষুক-সম্প্রদায় যিয়ে কোনো দেৱতাব বিগ্রহ আৰু সেই দেৱতাব ধ্বজা লৈ অর্থ দাবী কবে; দেৱতাব ভয়ত মানুহে তেওঁক বিমুখ নকবে।

[৩] চৰু: দেৱতা বা পিতৃব উদ্দেশ্যে অর্পিত গাখীবত সিজোৱা চাউল বা ঘৰ।

Scanned with CamScanner

সকলোবোব অপেণত বৃদ্ধিব কাবণে শাস্ত্রব উপদেশ বৃলি এই বাক্যপুঞ্জই গ্রহণ কৰিব ॥৩২॥ সেই কাবণে ধর্ম আৰু অর্থব অনুকূল উপদেশ দিব লাগে, ধর্ম আৰু অর্থব বিপৰীত উপদেশ দিব নালাগে ॥৩৩॥

ৰবং "আমি আপোনাবেই মানুহ" বৃলি কৈ সত্রীবিলাকে এওঁক নজবত বাখিব ॥৩৪॥ যদি যৌবনব উত্তেজনাত তেওঁ পৰস্ত্রীব কাবণে মন মেলে, তেতিয়া বাতি শূন্যগৃহত সম্ভ্রান্ত তিবোতাহ ভাও দিয়া লেতেবা তিবোতাব লগ লগাই এওঁব মনত ঘৃণা জন্মাব ॥৩৫॥ যদি মদ্যপান কৰিবলৈ ইচ্ছা কৰে তেতিয়া ঔষধ মিহলোৱা মদ্যপানব যোগে বিবাগ সৃষ্টি কৰিব ॥৩৬॥ জুৱা খেলিবব ইচ্ছা কৰিলে কপট জুৱাবীৰ যোগে বিতৃষ্ণাব সৃষ্টি কৰিব ॥৩৭॥ মৃগয়াব প্ৰতি ইচ্ছা প্ৰকাশ কৰিলে ডকাইতব ভাও দিয়া গুপ্তচবব যোগে ভয় খুৱাব ॥৩৮॥ পিতাকক আক্ৰমণ কবাব সংকল্প কৰিলে "তথাস্তু" বৃলি কৈ তেওঁৰ বিশ্বাসভাজন দ্বৈ (এনেকৈ) নিবুৎসাহিত কৰিব—"বজাক আক্ৰমণ কবা অনুচিত; পবাস্ত হ'লে মৃত্যু; (আক্ৰমণ) সুসম্পন্ন হ'লে (আপোনাব) নবকত পতন; কোলাহলব সৃষ্টি আৰু প্ৰজাব হাতত বান্ধি চপবা এটাব দবে (আপোনাব) বিনাশসাধন ॥৩৯॥

(যুবৰাজব) বিবাগ (পিতৃব প্ৰতি অনুবক্ততাব অভাব) বজাক নিবেদন কৰিব ॥৪০॥ যদিবা একমাত্ৰ পুত্ৰ হ'লে কাবাবুদ্ধ কৰিব ॥৪১॥ বহু পুত্ৰ থাকিলে (তেনে পুত্ৰক) বান্ধিব বা অন্য স্থানলৈ নিৰ্বাসিত কৰিব যত তেওঁ (সেই ঠাইৰ লোকৰ মানত) গৰ্ভজাত পুত্ৰ হৰ নোৱাবে, যত তেওঁক পণ্যদ্ৰব্য হিছাপে ব্যবহাব কৰিব নোৱাবে, বা যত তেওঁ (বজাৰ নিমিত্তে) উপদ্ৰবৰ কাবণ হব নোৱাবে ॥৪২॥ আত্ম-গুণসম্পন্ন হ'লে তেওঁক সেনাপতি বা দুৰ্গৰাজব পদত অধিষ্ঠিত কৰিব ॥৪৩॥

বুদ্ধিমান, আহার্যবুদ্ধি আৰু দুর্বুদ্ধি—পুত্ৰ এই তিনি বিধব ॥৪৪॥ যি শিক্ষা দিলে ধর্ম আৰু অর্থ বুজি পায় আৰু (সেইমতে) আচবণ কবে তেৱেই বুদ্ধিমান ॥৪৫॥ যি শিক্ষা দিলে ধর্ম আৰু অর্থ) বুজি পায়, কিন্তু ইয়াব আচবণ কৰিব নোৱাবে তেৱেই আহার্যবুদ্ধি পুত্ৰ ॥৪৬॥ যি সদায় অশুভ চিন্তা কৰে আৰু ধর্ম আৰু অর্থব বিপৰ্যয় তেৱেই দুর্বুদ্ধি ॥৪৭॥

একমাত্ৰ পুত্ৰ যদি দুষ্টবুদ্ধিব হয়, তেতিয়া পুত্ৰোৎপাদনব কাবণে যত্ন কৰিব ॥৪৮॥ নাইবা জীয়েকব পুত্ৰ উৎপাদন কবাবব কাবণে চেষ্টা কৰিব ॥৪৯॥

বজা বৃদ্ধ বা বুগীয়া হ'লে মাকব কুটুম, নিজব জ্ঞাতি নাইবা গুণী সামন্ত বজাব যোগে নিজ পত্নীত পুত্ৰোৎপাদন কবাব ॥৫০॥ যদি একেটা পুত্ৰও হয়, বিনাত হ'লে বজাক (সিংহাসনত) প্ৰতিষ্ঠিত কৰিব নালাগে ॥৫১॥

বহু দুষ্ট পুত্ৰ হ'লে সিহঁতক একে ঠাইত বন্ধ কৰি থোৱাটো (উত্তম): পিতা পুত্ৰব হিতকামী হোৱা উচিত। কোনো বিপদজনক অৱস্থাৰ বাহিৰে বজাব জ্যেষ্ঠ পুত্ৰক অৰ্পণ কবাটোৱেই প্ৰশংসনীয় ॥৫২॥

নাইবা বাজাধন (বাজ)কুলব (সম্পত্তি) হোৱা উচিত, কাবণ কুলনাশ দুর্ভেদ্য আৰু ই বাজ-বাজনৰূপ উগ্ৰ বাধাপ্ৰাপ্ত নহই চিবকালব কাবণে পৃথিবীত বৰ্তমান থাকে ॥৫৩॥

কৌটিলীয় অর্থশাস্ত্রব 'শিক্ষা-সম্পর্কীয়' নামব প্ৰথম অধিকৰণৰ অন্তর্গত 'পুত্ৰসমূহব প্ৰতি ব্যৱহাব' নামব সপ্তদশ অধ্যায় সমাপ্ত।

Scanned with CamScanner

১৭।১৮।১৫

অষ্টাদশ অধ্যায়

চতুৰ্দশ প্ৰকৰণ : অননুগৃহীত (যুৱৰাজৰ) আচৰণ

পঞ্চদশ প্ৰকৰণ : অননুগৃহীত (যুৱৰাজৰ) প্ৰতি ব্যৱহাৰ

বিনীত হোৱাৰ পিছত মৰ্যাদা হানিকৰ কৰ্মত নিযুক্ত হ'লেও অতি কষ্টেৰে জীৱিকা নিৰ্বাহ কৰি প্ৰাণৰ সংশয় থকা কৰ্মৰ বাহিৰে, প্ৰজাবিলাকক বিদ্ৰোহী কৰাৰ ভয় থকা কৰ্মৰ বাহিৰে নাইবা অতি পাপজনক কৰ্মৰ বাহিৰে সকলোতে যুৱৰাজে পিতাকক অনুবৰ্তন কৰিব॥১॥

অভিমত কৰ্মত নিযুক্ত হ'লে তেওঁৰ কামৰ তদাৰক কৰিবলৈ এজন বিষয়াৰ প্ৰাৰ্থনা কৰিব॥২॥ আৰু তদাৰক কৰা বিষয়া পালে সেই নিয়োগ সবিশেষভাৱে সম্পন্ন কৰিব॥৩॥ আৰু কৰ্মৰ যথাযথ উৎপাদন আৰু লাভ কৰা উপহাৰ আদি পিতাকলৈ প্ৰেৰণ কৰাব॥৪॥

তেতিয়াও যদি পিতৃ সন্তুষ্ট নহয় আৰু অন্য পুত্ৰ বা (উক্ত পুত্ৰৰ মাকৰ বাহিৰে) আন স্ত্ৰীক মৰম কৰে তেওঁ অৰণ্যলৈ যাবৰ কাৰণে বিদায় মাগিব॥৫॥ আটক কৰি ৰখা বা বধ কৰাৰ যদি ভয় থাকে, তেতিয়া হ'লে ন্যায় আচৰণ কৰা, ধাৰ্মিক, সত্যবাদী, বিশ্বাসযোগ্য, আশ্ৰয় বিচৰাসকলৰ আশ্ৰয়দাতা আৰু সন্মানকাৰী এজন সামন্ত ৰজাৰ আশ্ৰয় ল'ব॥৬॥ তাতে থাকি টকা-কড়ি আৰু সৈন্য সংগ্ৰহ কৰি (কোনো) বীৰ পুৰুষৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰি আৰু আটৱিকৰ লগত সংযোগ ৰাখি (পিতৃৰ) ভেদযোগ্য পক্ষক হাত কৰিব॥৭॥

যদি অকলে বৰ্তিব লগীয়া হয়, তেতিয়া হ'লে খনিত সোণ পগোৱা আৰু মণিত ৰং দিয়া কাৰ্য কৰি আৰু সোণ-ৰূপৰ বস্তু নিৰ্মাণ কৰা কাৰখানা পাতি জীৱিকা নিৰ্বাহ কৰিব॥৮॥ নাইবা নাস্তিক সম্প্ৰদায়ৰ ভিক্ষু-সংঘৰ বয়-বস্তু, শাস্ত্ৰজ্ঞ ব্ৰাহ্মণত বাহিৰে আনে ভোগ কৰা মন্দিৰৰ দ্ৰব্য, ধনী বিধবাৰ সম্পত্তি, সেইসকলৰ বিশ্বাসৰ পাত্ৰ হৈ গোপনে হাত কৰিব আৰু বেপাৰীসকলৰ যান-বাহন বা বস্তু (তেওঁলোকক) সন্মোহক পানীয় খুৱাই ঠগ কৰি লুট কৰিব॥৯॥ নাইবা, শত্ৰুৰ নগৰ জয় কৰিবৰ কাৰণে কৌশল আয়ত্ত কৰিব (১৩।১ চাওক)॥১০॥ নাইবা, মাতৃপক্ষৰ মানুহৰ সহায় আয়ত্ত কৰিহে কাৰ্যত প্ৰবৃত্ত হ'ব॥১১॥ নিজৰ স্বৰূপ লুকাই ৰাখি কাৰিকৰ, শিল্পী, চাৰণ, চিকিৎসক বা সাধু-কথা কওঁতাৰ ভাও দি তেনে ভাও দিয়া (অন্য) সহযোগী লগত লৈ ৰজাৰ দুৰ্বলতাৰ সুযোগ লৈ অস্ত্ৰ আৰু বিষ প্ৰয়োগে কৰি ক'ব—"ময়ে সেই যুৱৰাজ, এই ৰাজ্য একেলগে ভোগ কৰিব লাগিব, এজনে অকলে ভোগ কৰা যুক্তিযুক্ত নহয়; যিসকলে মোক গিৰিহঁত হিছাপে বাঞ্ছা কৰে, তেওঁবিলাকক দুগুণ খাদ্য-সম্ভাৰেৰে আৰু টকা-কড়িৰে পুৰস্কৃত কৰিম"॥১২॥ ইয়াতে 'অননুগৃহীত যুৱৰাজৰ আচৰণ' প্ৰকৰণ অন্ত পৰিল॥

মুখ্য আধিকাৰিকসকলৰ পুত্ৰসকলে গুপ্তচৰ হিছাপে কাম কৰি অননুগৃহীত যুৱৰাজক সন্মত কৰাই ৰজাৰ ওচৰলৈ লৈ আহিব, নাইবা যদি ৰজাৰ অনুগ্ৰহপ্ৰাপ্ত হয়, মাকে (লৈ আহিব)॥১৩॥ যদি শুধৰাব নোৱাৰাৰ কাৰণে ত্যাগ কৰিব লগীয়া হয়, তেতিয়া গুপ্তচৰ-বিলাকে অস্ত্ৰ বা বিষেৰে মাৰি পেলাব॥১৪॥ যদি ত্যাগ কৰিব নোৱাৰে, একে স্বভাৱৰ তিৰোতা, মদ্যপান বা মৃগয়াৰ প্ৰতি আসক্ত কৰি বাতি ধৰি লৈ আহিব॥১৫॥

আৰু আহিলে "মোৰ পিছত এই ৰাজ্য তোমাৰেই"—এই বুলি ৰাজ্যৰ

প্রলোভন দি সাম অবলম্বন কবিব; (তেতিয়াও শান্ত নহ'লে) একে স্থানতে আটক কবি বাখিব; কিন্তু অন্য পুত্র থাকিলে (তেওঁক) মাবি পেলাব॥১৬॥

কৌটিলীয় অর্থশাস্ত্রব "শিক্ষা-সম্পর্কীয়" নামব প্রথম অধিকবণব অন্তর্গত "অননুগৃহীত (যুববাজব) আচবণ নামে অননুগৃহীত (যুববাজব) প্রতি ব্যবহাব" নামব অষ্টাদশ অধ্যায় সমাপ্ত।

ঊনবিংশ অধ্যায়

বোড়শ প্রকবণ : বজাব আচবণ-বিধি

উদ্যমশীল বজাব ভৃত্যসকলো উদ্যমশীল হয়॥১॥ তেওঁ নিবুৎসাহী হ'লে ভৃত্যসকলেও উৎসাহ হেবুৱায়॥২॥ তেওঁবিলাকে তেতিয়া (এওঁব) কামবোব বিনষ্ট কবে॥৩॥ আবু তেতিয়া তেওঁ শত্রুব দ্বাবা প্রভাবিত হয়॥৪॥ সেই কাবণে তেওঁ স্বয়ং উদ্যমশীল হ'ব॥৫॥

নালিকা[১]ব দ্বাবা বা ছাঁয়াব জোখেবে দিন আবু বাতিক আঠ ভাগত ভগাব॥৬॥ তিনি পৌবুষ,[২] এক পৌবুষ, চাবি অঙ্গুল, ছাঁয়া অন্তর্ধান হোৱা মধ্যাহ্ন—এই চাবিটাই দিনব প্রথম অষ্টভাগ॥৭॥ ইয়াব দ্বাবাই দ্বিতীয় (অষ্ট) ভাগো ব্যাখ্যাত হ'ল॥৮॥

ইয়াব ভিতবত অষ্টভাগব প্রথম ভাগত প্রতিবক্ষাব ব্যবস্থা আবু আয়-ব্যয়ব হিছাপ শুনিব॥৯॥ দ্বিতীয় ভাগত নগব আবু গাওঁবাসীব কার্যবিলাকব ওপবত চকু দিব॥১০॥ তৃতীয় ভাগত স্নান-ভোজন কবি অধ্যয়নত বত হ'ব॥১১॥ চতুর্থ ভাগত নগদ টকাবে বাজহ গ্রহণ কবিব আবু বিভাগীয় অধ্যক্ষসকলব কর্তব্য নিবুপণ কবিব॥১২॥ পঞ্চম ভাগত চিঠি-পত্র আদান-প্রদান কবি মন্ত্রীপবিষদব লগত পবামর্শ কবিব আবু চোবাংচোৱাই দিয়া গোপন খবববিলাকব বুজ লব॥১৩॥ ষষ্ঠ ভাগত নিজ বুচি অনুসবি বিহাব কবিব, নাইবা মন্ত্রণা কবিব॥১৪॥ সপ্তম ভাগত হস্তী, অশ্ব আবু বথবাহিনী পবিদর্শন কবিব॥১৫॥ অষ্টম ভাগত সেনাপতিব লগত সামবিক বিষয়ব আলোচনা কবিব॥১৬॥ দিনব অন্তত সন্ধ্যা-বন্দনা কবিব॥১৭॥

বাতিব (অষ্টভাগব) প্রথম ভাগত গূঢ়-পুবুষসকলব (চোবাংচোৱাবিলাকব) লগত সাক্ষাৎ কবিব॥১৮॥ দ্বিতীয় ভাগত স্নান-ভোজন কবি অধ্যয়ন কবিব॥১৯॥ সঙ্গীতব ধ্বনি অনুসবি তৃতীয় ভাগত বিচনাত উঠিব আবু চতুর্থ-পঞ্চম ভাগত শুব॥২০॥ তূর্য-ধ্বনিব লগে লগে শয্যা ত্যাগ কবি নীতিশাস্ত্র-চর্চা আবু কর্তব্যব বিষয়ে চিন্তা কবিব॥২১॥ সপ্তম ভাগত (মন্ত্রী-পবিষদব লগত) মন্ত্রণাব কাবণে বহিব আবু চোবাংচোৱাবিলাকক পঠিয়াব॥২২॥ অষ্টম ভাগত বেদজ্ঞ ব্রাহ্মণ, আচার্য আবু পুবোহিতব আশীর্বাদ গ্রহণ কবিব আবু চিকিৎসক, মুখ্য বান্ধুনি আবু দৈবজ্ঞসকলব লগত সাক্ষাৎ কবিব॥২৩॥ আবু (কোনো) সবৎসা গাই আবু ষাঁড় প্রদক্ষিণ কবি বাজসভাব মণ্ডপলৈ যাব॥২৪॥

নাইবা, নিজব সামর্থ্য অনুযায়ী দিন আবু বাতিক বিভিন্ন অংশত ভাগ কবি (বাজ)কার্য

---

১ নালিকা : এক নালিকা = চৌবিশ মিনিট।

২ পৌবুষ : ছায়া-যন্ত্রব শঙ্কুব ছায়াব দৈর্ঘ্যব পবিমাণ লবলৈ ব্যবহাব কবা জোখবিশেষ; এক পৌবুষ বাব অঙ্গুলব সমান, প্রায় ৯ ইঞ্চি হয়। ২।২০।১০ চাওক।

সম্পাদন কবিব॥২৫॥ আৰু বাজসভালৈ গৈ দর্শনার্থীসকলক অবাধ প্রৱেশ দান কবাব॥৩৬॥ কাৰণ, বজাক দেখা কবিবলৈ টান হ'লে গমতে লাগি থকাসকলে তেওঁৰ হতুৱাই কবিব লগীয়া আৰু নলগীয়া কামৰ বিপৰীতে কাম কবায়॥২৭॥ ইয়াৰ ফলত তেওঁ প্রজা-বিদ্রোহৰ সম্মুখীন বা শত্রুৰ বশীভূত হ'ব পাৰে॥২৮॥ সেই কাৰণে মন্দিৰৰ দেৱতা, আশ্রম, নাস্তিক (বৌদ্ধ-সন্ন্যাসী আদি), শাস্ত্রজ্ঞ ব্রাহ্মণ, পশু, তীর্থস্থান, বালক, বৃদ্ধ, ব্যাধিগ্রস্ত, আর্ত, অনাথ আৰু তিৰোতসকলৰ কার্যবিলাক এই ক্রমতে নাইবা কার্যৰ গুৰুত্ব বা জৰুৰী প্রয়োজন অনুসৰি পৰিদর্শন কবিব॥২৯॥

সকলো জৰুৰী কার্যৰ কথা (বজাই নিজে ততাতৈয়াকৈ) শুনিব, পেলাই নথ'ব; কাৰণ পেলাই থোৱা কাম দুঃসাধ্য হয়, অসাধ্যও হ'ব পাৰে॥৩০॥

পুৰোহিত আৰু আচার্যৰে সৈতে অগ্নিগৃহলৈ গৈ প্রত্যুত্থান আৰু অভিবাদন কৰি বৈদ্য আৰু তপস্বীসকলৰ কার্য দর্শন কবিব॥৩১॥

ত্রিবেদজ্ঞসকলক লগত লৈ তপস্বী আৰু মায়াবিদ্যা জনাসকলৰ কার্য পৰিদর্শন কবিব, নিজে অকলে নকবিব; কাৰণ, ই তেওঁলোকৰ কোপৰ কাৰণ হ'ব পাৰে॥৩২॥

বজাৰ কাৰণে উদ্যমেই (যজ্ঞৰ) ব্রত, প্রশাসনেই যজ্ঞ, ব্যৱহাৰৰ সমতাই দক্ষিণা আৰু অভিষেকেই হৈছে তেওঁৰ যজ্ঞ-দীক্ষা॥৩৩॥

প্রজাৰ সুখেই বজাৰ সুখ, প্রজাৰ হিতেই তেওঁৰ হিত; নিজৰ প্রিয়ই বজাৰ হিত নহয়, প্রজাৰ প্রিয়ই বজাৰ হিত॥৩৪॥

সেই কাৰণে নিতৌ উদ্যমশীল হৈ বজাই আর্থিক উন্নতিৰ কাৰণে প্রশাসন কবিব। উদ্যমেই আর্থিক উন্নতিৰ মূল, ইয়াৰ বিপৰীতেই অনর্থৰ মূল॥৩৫॥

উদ্যমৰ অভাৱত প্রাপ্ত আৰু অপ্রাপ্ত (অর্থৰ) নাশ নিশ্চিত; উদ্যমৰ-পৰা ফল পোৱা যায় আৰু অর্থসম্পদ লাভ হয়॥৩৬॥

কৌটিলীয় অর্থশাস্ত্রৰ "শিক্ষা-সম্পর্কীয়" নামৰ প্রথম অধিকৰণৰ অন্তর্গত "বজাৰ আচৰণ-বিধি" নামৰ ঊনবিংশ অধ্যায় সমাপ্ত।

বিংশ অধ্যায়

সপ্তদশ প্রকৰণ : (বাজ)প্রাসাদবাসীসকলৰ আচৰণ-বিধি

বাস্তু-বিজ্ঞানবিশেষজ্ঞসকলৰ দ্বাৰা অনুমোদিত স্থানত দেৱাল, খাল আৰু দুৱাৰেৰে সৈতে অনেক কোঠাযুক্ত বাজপ্রাসাদ নির্মাণ কবাব॥১॥

কোশগৃহ-নির্মাণৰ বিধান অনুসৰি (২।৫।২-৩ চাওক) মাজতে বাসগৃহ বা দেৱালত লুকাই থকা বাস্তাবে সৈতে মোহন-গৃহ (চক্র-ব্যূহসদৃশ গৃহ)—তাৰ মাজতে বাসগৃহ বা ওচৰৰ বিহাৰৰ কাঠৰ মূর্তিৰে ঢাকি বখা বাটেৰে সৈতে অনেক সুৰুঙাযুক্ত মাটিৰ তলৰ কোঠা, বেৰৰ ভিতৰত লুকাই থকা চিৰি--তাৰ ওপৰত বাজপ্রাসাদ, বা বিপদৰ প্রতিকাৰ কবিবলৈ,

Scanned with CamScanner

নাইবা বিপদ হ'লে যন্ত্ৰত লগাই ৰাখি তললৈ পেলাই দিব পৰা আৰু ফোঁপোলা স্তম্ভৰ মাজেদি প্ৰৱেশ আৰু বহিৰ্গমন কৰিব পৰা বাসগৃহ নিৰ্মাণ কৰাব॥২॥ সহপাঠী[১]ৰ পৰা ভয় থাকিলে ইয়াৰ অন্য ধৰণেৰেও নিৰ্মাণ কৰিব পাৰে॥৩॥

মানুহৰ হাৰ ঘঁহি জলোৱা জুই যেতিয়া তিনি বাৰ প্ৰদক্ষিণ কৰি ৰাজ-প্ৰাসাদৰ চাৰিও ফালে নিয়া হয়, তেতিয়া তাক অন্য জুৱে পুৰিব নোৱাৰে বা অন্য জুই তাত নজলে; বিজুলী-জুইৰ ছাইৰ লগত মাটি আৰু শিল-বৰষুণৰ পানী মিহলাই তাত লেপি দিলেও (জুই) লাগিব নোৱাৰে॥৪॥

জেঁকা মাটিত হোৱা আঁহত গছৰ ঠেঙুলিৰে সৈতে জীৱন্তী, শ্বেতা, মুষ্কক আৰু পুষ্প-বন্দাকাৰ (অঙ্কুৰ) গুঠি কৰা মালাৰ দ্বাৰা ৰক্ষিত গৃহত সাপ আৰু বিষে কোনো ক্ৰিয়া কৰিব নোৱাৰে॥৫॥ মঁৰা-চৰাই, নেউল আৰু ফুটুকী-হৰিণে (চৌহদত) এৰি দিলে সাপ খায়॥৬॥ ভাটৌ, মইনা আৰু ফেচু-চৰায়ে বিহ বা সাপৰ ভয় থকা ঠাইত আৰাও কৰে॥৭॥ বিহ থকা ঠাইৰ ওচৰত চাকৈচকোৱা উন্মত্ত হয়, ডঁৰিক মূৰ্ছিত হয়, উন্মত্ত কুলি-চৰাই মৰে, আৰু কপৌ-চৰাইৰ চকু শেঁতা পৰে॥৮॥

এনেদৰেই জুই, বিহ আৰু সাপৰ বিৰুদ্ধে প্ৰতিকাৰৰ ব্যৱস্থা কৰিব॥৯॥

পিছৰ পিনে কক্ষাৰ বিভিন্ন ভাগত স্ত্ৰী-নিবাস, প্ৰসূতি আৰু ৰোগীৰ গৃহ আৰু গছ আৰু পানীৰ ঠাইবোৰ সন্নিবিষ্ট কৰিব॥১০॥ তাৰ বাহিৰত কুমাৰ-কুমাৰীসকলৰ বাসগৃহ (থাকিব)॥১১॥ সম্মুখত প্ৰসাধন-কক্ষ, মন্ত্ৰণা-গৃহ, পৰিষদ-গৃহ আৰু যুৱৰাজৰ তত্ত্বাৱধায়ক মন্ত্ৰীসকলৰ বাসভৱন নিৰ্মাণ কৰিব॥১২॥ কক্ষাবিলাকৰ মাজৰ মুকলি ঠাইত ৰাজপ্ৰাসাদৰ ৰক্ষীসকল থাকিব॥১৩॥

গৰ্ভগৃহলৈ গৈ, বৃদ্ধা নাৰীসকলে মহিষীক দেখা কৰাত কোনো আশঙ্কাৰ কাৰণ নাই বুলি কোৱাৰ পিছত, তেওঁক দেখা কৰিব॥১৪॥ কাৰণ, ৰাণীৰ কক্ষতে লুকাই থাকি ভ্ৰাতৃয়ে ভদ্ৰসেনক হত্যা কৰিছিল; মাকৰ বিচনাৰ তলত থাকি পুতেকে কাৰুষক মাৰিছিল॥১৫॥ আখৈ বিহেৰে সানি মৌৰে সনা বুলি কৈ কাশীৰাজক, বিহ-সনা নূপুৰেৰে বৈৰন্তাক, (বিহ-সনা) মেখলা-মণিৰে সৌবীৰৰাজক, আইনাৰে জালুথক, বেণীত অস্ত্ৰ লুকাই ৰাখি বিদূৰথক ৰাণীয়ে হত্যা কৰিছিল॥১৬॥ সেই কাৰণে এই শঙ্কা-স্থানবিলাক পৰিহাৰ কৰিব॥১৭॥

মুণ্ডিত সন্ন্যাসী, জটাধাৰী সন্ন্যাসী, বাজীকৰ আৰু বাহিৰৰ দাসীৰ লগত ৰাণীৰ সংস্পৰ্শ নিষিদ্ধ কৰিব॥১৮॥ মাতৃমঙ্গল আৰু ব্যাধি-চিকিৎসা-সংস্থাৰ বাহিৰে অন্য কোনো ঠাইতে বংশৰ মানুহে এওঁলোকক (ৰাণীসকলক) দেখা কৰিব নোৱাৰিব॥১৯॥ গা ধোৱাৰ পিছত অলঙ্কাৰ সলাই শুদ্ধ শৰীৰেৰে গণিকাবিলাকে ৰাণীক দেখা কৰিব॥২০॥ আশী বছৰীয়া পুৰুষে, নাইবা পঞ্চাশ বছৰীয়া তিৰোতাই (কাৰেঙৰ কোনো ভৃত্যাদিৰ) বাপেক-মাক বুলি পৰিচয় দি, নাইবা বুঢ়া আৰু নপুংসক চাকৰবিলাকে অন্তেষপুৰৰ ৰাণীসকলৰ পৱিত্ৰতা আৰু অপৱিত্ৰতা নিৰ্ণয় কৰি তেওঁলোকক স্বামীৰ হিতৰ কাৰণে নিয়োগ কৰিব॥২১॥

(অন্তেষপুৰৰ) সকলোৱেই নিজৰ নিজৰ বাসগৃহত থাকিব, লোকৰ বাসগৃহলৈ নাযাব। কোনো ভিতৰৰ মানুহে বাহিৰৰ মানুহৰ লগত সংস্পৰ্শ স্থাপন নকৰিব॥২২॥

---

[১] সহপাঠী : একে ৰাজনীতিশাস্ত্ৰ অধ্যয়ন কৰা, গতিকে বাসগৃহ-নিৰ্মাণৰ কৌশল জনা; অথবা, ৰজাৰ সহপাঠী গতিকে তেওঁৰ সকলো গোপন কথাৰ সম্ভেদ পোৱা লোক।

পৰীক্ষা কৰি চোৱাৰ পিছত আগমন আৰু নিৰ্গমন লিপিবদ্ধ হ'লে গন্তব্য স্থানলৈ যোৱাৰ মোহৰ মাৰা প্ৰত্যেক দুৱাই (ৰাজপ্ৰাসাদৰ ভিতৰ) সোমাব বা (ইয়াৰ পৰা) বাহিৰলৈ ওলাব॥২৩॥

কৌটিলীয় অৰ্থশাস্ত্ৰৰ "শিক্ষা-সম্পৰ্কীয়" নামৰ প্ৰথম অধিকৰণৰ অন্তৰ্গত "ৰাজ-প্ৰাসাদৰক্ষাসকলৰ আচৰণ-বিধি" নামৰ বিংশ অধ্যায় সমাপ্ত।

একবিংশ অধ্যায়

অষ্টাদশ প্ৰকৰণ : (ৰজাৰ) নিজৰ শৰীৰ-ৰক্ষা-সম্বন্ধীয়

শুই উঠাৰ পিছত হাতত ধনু লৈ তিৰোতাবিলাকে, দ্বিতীয় কোঠালিত দীঘল চোলা পিন্ধা আৰু পাগুৰি মৰা নপুংসক অনুচৰবিলাকে, তৃতীয় কোঠালিত কুঁজা, বাওনা আৰু কিৰাতবিলাকে আৰু চতুৰ্থ কোঠালিত মন্ত্ৰী, সম্বন্ধীয়া মানুহ আৰু হাতত যাঠি লৈ স্বাৰপালবিলাকে (ৰজাক) ৰেৰি থাকিব॥১॥

বোপা-কাকাৰ দিনবেপৰা নিযুক্ত, সম্বন্ধীয়া, শিক্ষিত, অনুৰক্ত আৰু কামত দক্ষ লোকক শৰীৰ-ৰক্ষী কৰিব; টকা-কড়ি আৰু সন্মান প্ৰদান নকৰা বিদেশী লোকক, নাইবা আনকি (আগতে) অপকাৰ কৰি আকৌ চাকৰিত লোৱা স্বদেশী লোককো শৰীৰ-ৰক্ষী নকৰিব॥২॥ প্ৰাসাদ-ৰক্ষীসকলে ৰজাক ৰক্ষা কৰিব আৰু অন্তঃপুৰ ৰক্ষা কৰিব॥৩॥

ৰক্ষিত স্থানত মুখিয়াল বান্ধনিজনে বহুৰাৰ চাকি চাই বন্ধনকাৰ্য সম্পাদন কৰিব॥৪॥ প্ৰথমে অগ্নিক আৰু চৰাইক সমৰ্পণ কৰি ৰজাই তাক যেনে আছে তেনে অৱস্থাতে ভোজন কৰিব॥৫॥

(অন্ন জুইত দিলে) জুইৰ শিখা আৰু ধোঁৱা যদি নীলবৰণীয়া হয়, যদি ফট্ ফট্ শব্দ হয় আৰু (তাক খালে) যদি চৰাইৰ মৃত্যু হয়, তেনেহ'লে সি বিহ মিহলি॥৬॥ মৰা-চাইৰ ভিঙিৰ ৰঙৰ নিচিনা (ৰঙৰ) ভাপ এবি দিয়া, চেচা, বাহী হ'লে হঠাতে বং সলোৱা, পানী শুহি নোলোৱা আৰু জিপ-নথকা ভাত; সোনকালে শুকাই যোৱা, উতলি থকা, ফোকা-পানী যেন হোৱা, ফেন উঠি থকা, ফাটি যোৱা, (আৰু স্বাভাৱিক) গোন্ধ, স্পৰ্শ আৰু [illegible] নাইকিয়া হোৱা আঞ্জা; হীনকান্তি বা অতিৰিক্ত কান্তিযুক্ত, ফেনবিলাকৰ দাঁতিত ঊৰ্ধ্বগে যুক্ত দ্ৰৱ বা পনীয়া পদাৰ্থ—মাজত নীলা আঁচ পৰা ৰস, ৰঙা আঁচ পৰা গাখীৰ, কলা বং ৰঙা মদ আৰু পানী, নীলা ৰঙৰ দৈ, বগা মৌ; ততালিকে শুকাই যোৱা, শেলি যোৱা যেন হোৱা আৰু সিজালে অতিশয় নীলা বা মুগা ৰঙৰ লোৱা আৰ্দ্ৰ বস্তুবিলাক; সোনকালে গুৰি হোৱা আৰু বং নাইকিয়া হোৱা শুকান পদাৰ্থ; টান বস্তুৰ কোমল ভাব আৰু কোমল বস্তুৰ টান ভাব হোৱা; ইয়াৰ (এই দুটাৰ) ওচৰত থকা সৰু সৰু প্ৰাণীৰ মৃত্যু হোৱা; ঘুৰণীয়া লেতেৰা দাগ পৰা, সুতা, উণ আৰু নোম উঠি যোৱা মিচনা-চাদৰ আৰু মিচনা-কাকনী; ফোকা-পানী যেন মলি গাত লগা আৰু নিজস্ব ভাব, বং, ওজন, শক্তি, গুণ আৰু স্পৰ্শ নষ্ট হোৱা ধাতু আৰু মণিময় পদাৰ্থ—এইবিলাকেই বিষযুক্তৰ লক্ষণ॥৭॥

বিষপ্রদানকাৰীৰ লক্ষণ হৈছে—মুখ শুকান আৰু ক'লা হোৱা, কথা কবলৈ সংকোচ কৰা, অতিমাত্ৰাই ঘাম হোৱা, হাঁমি অহা, অতিশয় কঁপনি উঠা, কথাত উজুটি খোৱা, কথা কওঁতে ইফালে-সিফালে চোৱা, কাম কৰোঁতে উদ্বিগ্ন হোৱা আৰু নিজ ঠাইত (একে ঠাইতে) ৰ'ব নোৱৰা॥৮॥

সেই কাৰণে বিষবৈদ্য আৰু চিকিৎসকসকল এওঁৰ কাষতে থাকিব॥৯॥ চিকিৎসকে ঔষধালয়ৰপৰা আস্বাদ কৰি চোৱাৰ পিছত বিশুদ্ধ বুলি পৰিগণিত হোৱা ঔষধ আনি ((ঔষধ) সিজোৱা আৰু পিহা মানুহৰ হতুৱাই ৰাকি চোৱাই আৰু নিজেও চাকি চাই ৰজাক প্ৰদান কৰিব॥১০॥ মদ্যপান আৰু পানীয়ৰ (খোৱা-পানীৰ) সম্বন্ধে সাৱধানতা ঔষধ ৰোৱাই ব্যাখ্যাত হ'ল॥১১॥

গা ধোৱাৰ পিছত পৰিষ্কাৰ কাপোৰ আৰু হাতেৰে নাপিত আৰু প্ৰসাধকসকলে অন্তঃপুৰ-ৰক্ষকসকলৰপৰা মুদ্ৰা-মৰা সামগ্ৰীৰ টোপোলা আনি (ৰজাক) পৰিচৰ্যা কৰিব॥১২॥ সৎ চৰিত্ৰৰ বুলি জনাজাত দাসীবিলাকে স্নাপক (গা ধোৱা ঘৰৰ পৰিচাৰক), সংবাহক (মালিচ কৰা মানুহ), আস্তৰক (বিচনা পৰা মানুহ), ধোৱা আৰু মালাকাৰৰ কৰ্ম কৰিব, নহ'লে তেওঁ-বিলাকৰ (দাসীবিলাকৰ) পৰ্যবেক্ষণত শিল্পীবিলাকে কৰিব॥১৩॥ সিবিলাকে নিজৰ চকুত লগাই লৈ বস্ত্ৰ আৰু মালা প্ৰদান কৰিব; স্নানৰ পিছত লোৱা অনুলেপন, ঘৰ্ষণ-চূৰ্ণ আৰু স্নানীয় প্ৰসাধন নিজৰ চকুত আৰু বাহুত লগাই লৈহে প্ৰদান কৰিব॥১৪॥ ইয়াৰ দ্বাৰা অইনৰপৰা অহা বস্তুৰ (প্ৰণালীও) ব্যাখ্যাত হ'ল॥১৫॥

অভিনেতাসকলে অস্ত্ৰ, অগ্নি, বিষ-প্ৰয়োগ আদি থকা নাটক বৰ্জন কৰি অন্য অভিনয়েৰে (ৰজাক) আহ্লাদ প্ৰদান কৰিব॥১৬॥ এওঁবিলাকৰ বাদ্য-যন্ত্ৰবিলাক ৰাজ-কাৰেঙৰ ভিতৰত ৰাখিব; সেইদৰে ঘোঁৰা, ৰথ আৰু হাতীৰ ভূষণবিলাকো (কাৰেঙৰ ভিতৰত ৰাখিব)॥১৭॥

বিশ্বাসী মানুহৰ তত্ত্বাৱধানত থকা যান-বাহনত আৰোহণ কৰিব; তেনেকৈয়ে বিশ্বাসী নাৱিকৰ তত্ত্বাৱধানত থকা নাৱত (আৰোহণ কৰিব)॥১৮॥ অইন নাৱত বান্ধি থোৱা, নাইবা বতাহে কোবোৱা নাৱত নুঠিব॥১৯॥ পানীৰ দাঁতিত সৈন্য সাজু ৰাখিব॥২০॥

মাছুৱৈবিলাকে (মাছ ধৰিবলৈ) চাফা কৰা পানীত জোবোৱা মাৰিব (গা ধুব)॥২১॥ সাপ আদি ক্ৰূৰ প্ৰাণী ধৰি নিৰাপদ কৰি বখা উদ্যানত ফুৰিব॥২২॥

ব্যাধ আৰু চিকাৰীৰ যোগে চোৰ, হিংস্ৰ জন্তু আৰু শত্ৰুৰ বিঘিনি আঁতৰাই লৈ গতিশীল লক্ষ্যৰ ভাব-ভঙ্গী বুজিবৰ কাৰণে চিকাৰৰ হাবিলৈ যাব॥২৩॥

বিশ্বাসী পহৰীয়া লগত লৈ সিন্ধ-সন্ন্যাসীক দেখা কৰিব, মন্ত্ৰী-পৰিষদৰ লগত সামন্ত ৰজাৰ দূতক দেখা কৰিব॥২৪॥ সামৰিক সজ্জাৰে ঘোঁৰা, হাতী বা ৰথত উঠি ৰণুজলৈ সাজু হোৱা সৈন্যবাহিনী পৰিদৰ্শন কৰিব॥২৫॥

নিৰ্গমন আৰু প্ৰৱেশৰ সময়ত অস্ত্ৰধাৰী আৰু পতাকাধাৰী মানুহৰ যোগে অস্ত্ৰধাৰী, সন্ন্যাসী আৰু বিকলাঙ্গ মানুহ আঁতৰাই লৈ দুয়োফালে পহৰীয়া ৰাখি ৰাজপথেদি গমন কৰিব॥২৬॥ জনতাৰ মাজত সোমাই নপৰিব॥২৭॥ দশৱৰ্গিকসকলৰ (দহোটা সৈন্যৰ নায়কৰ) দ্বাৰা পৰ্যবেক্ষিত হ'লেহে মেলা, সমাজ, উৎসৱ, প্ৰহৱণ (party, picnic) আদিলৈ যাব॥২৮॥

যেনেকৈ গুৰু-পুৰুষৰ যোগে ৰজাই অন্যবিলাকৰ ওপৰত নজৰ ৰাখে,

তেনৈকৈয়ে তেওঁ শান্তভাৱে অন্যালোকে সৃষ্টি কৰা বিপদৰপৰাও নিজক ৰক্ষা কৰিব লাগে॥২৯॥

কৌটিল্যীয় অর্থশাস্ত্ৰৰ "শিক্ষা-সম্পর্কীয়" নামৰ প্ৰথম অধিকৰণৰ অন্তর্গত "(ৰজাৰ) নিজৰ শৰীৰ-ৰক্ষা-সম্বন্ধীয়" নামৰ একবিংশ অধ্যায় সমাপ্ত।

ইয়াতে কৌটিল্যীয় অর্থশাস্ত্ৰৰ "শিক্ষা-সম্পর্কীয়" নামৰ প্ৰথম অধিকৰণ সমাপ্ত হ'ল।

Scanned with CamScanner